# অসমীয়া সাহিত্য সোপান

## দ্বিতীয় ভাগ

### দ্বিতীয় শ্ৰেণীৰ বাবে



গ্ৰতহিলচ্

# অসমীয়া সাহিত্য সোপান

## দ্বিতীয় ভাগ

### দ্বিতীয় শ্ৰেণীৰ বাবে



গ্ৰুহিলচ্

# অসমীয়া সাহিত্য সোপান

## দ্বিতীয় ভাগ

(দ্বিতীয় শ্ৰেণীৰ বাবে)

প্ৰণেতা

গ্ৰুহিলচ্ পাব্লিশ্বিং লিখক সমিতি

গ্ৰুহিলচ্ পাব্লিশ্বিং

কমলপুৰ, বৰপেটা (অসম)

**ASOMIYA SHAHITYA SHOPAN- A TEXT BOOK OF ASSAMESE (MIL) FOR CLASS-II** composed by Growhills Publication Writers Board, edited by Growhills Publishing Editorial Board and Published by Growhills Publishing,

...........................................................................................................................................

All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted in any form or by any means: electronic, mechanical, photocopying recording or otherwise.

This book is especially designed to meet the long-felt demand of private educational institutes of North-east India. The materials have been compiled and edited from various sources. The publisher is not aware of any copyright violations in any form which has been incurred while preparing this book. We are ready to appreciate and take immediate action to rectify and overcome such thing which has occurred unintentionally or unknowingly in any form towards anyone incase it is brought to our notice.

Any dispute is subject to Barpeta Jurisdiction.

**First Publication: July, 2016**

**Price : Rs .......................... /-**
(Please buy the book in printed price only)

**Published by**
**GREEN HILLS PUBLISHING**
**KAMALPUR, BARPETA (ASSAM)**

# পাঠ্যপুথি প্ৰণয়ন আঁচনিৰ  আগকথা

সাম্প্ৰতিক কালত আমাৰ দেশত জনসংখ্যা বৃদ্ধিৰ অনুপাতত চৰকাৰী পৃষ্ঠপোষকতাত পৰিচালিত শিক্ষানুষ্ঠানৰ সংখ্যা বৃদ্ধি পোৱা নাই। সেয়ে আমাৰ দেশত, বিশেষকৈ আমাৰ অসমত, ব্যক্তিগত উদ্যমত বহুতো বেচৰকাৰী শিক্ষানুষ্ঠান গঢ়ি উঠিছে। কিন্তু চৰকাৰে ব্যক্তিগত উদ্যোগত স্থাপন হোৱা শিক্ষানুষ্ঠানসমূহৰ প্ৰতি পিঠি দি আছে। এক সমীক্ষাৰ পৰা জনা গৈছে যে বৰ্তমান ক্ৰমঃবৰ্ধিত সংখ্যক ল'ৰা-ছোৱালীৰ বাবে প্ৰয়োজন হোৱা পৰ্যাপ্ত চৰকাৰী বিদ্যালয়ৰ অভাৱত আমাৰ অসমৰ মুঠ ছাত্ৰ -ছাত্ৰীৰ ৪৫ শতাংশই ব্যক্তিগত বিদ্যালয়ত নামভৰ্তি কৰিবলৈ বাধ্য হৈছে। আনহাতে বেচৰকাৰী বিদ্যালয়সমূহে বিত্তীয় আৰু উপযুক্ত আন্তঃগাঁথনিৰ অভাৱত ভুগি থকাৰ ওপৰিও সেইবোৰে যি জলন্ত সমস্যাত ভুগি আছে সেয়া হৈছে পাঠ্যপুথিৰ অভাৱ। এয়া দুখৰ বিষয় যে ব্যক্তিগত বিদ্যালয়সমূহত চৰকাৰে কোনো পাঠ্যপুথি যোগান নধৰে। সেয়ে বেচৰকাৰী বিদ্যালয়সমূহে হয় নিজাববীয়াকৈ নাইবা অন্য ৰাজ্যৰ পৰা পাঠ্যপুথি আমদানি কৰিবলগা হৈছে। কিন্তু এনে পাঠ্যক্ৰমত সংহতি আৰু উপযুক্ত মানদণ্ডৰ অভাৱ পৰিলক্ষিত হোৱাত বেচৰকাৰী শিক্ষানুষ্ঠানসমূহে দুৰ্যোগ ভুগি আছে। এই দুৰ্যোগ দূৰ কৰাৰ উদ্দেশ্য লৈ গ্ৰীণ হিলচ্ পাব্লিশ্বিং (প্ৰকাশন উদ্যোগ)ৰ তৰফৰ পৰা বেচৰকাৰী  শিক্ষানুষ্ঠানসমূহৰ বাবে পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশৰ বাবে এক দুঃসাহসিক অভিযান আৰম্ভ কৰা হৈছে।

আমাৰ লক্ষ্য হৈছে চৰকাৰী সহায়-সহযোগিতা আৰু পৃষ্ঠপোষকতা নোপোৱা  বেচৰকাৰী বিদ্যালয়সমূহৰ বাবে এক সুসংহত, সুপৰিকল্পিত পাঠ্যপুথি প্ৰণয়ন কৰা, প্ৰকাশ কৰা আৰু সুলভ মূল্যত যোগান ধৰা।

আমাৰ আঁচনিৰ সফল ৰূপায়ন কৰাৰ বাবে বহুকেইজন অভিজ্ঞ শিক্ষক-শিক্ষয়িত্ৰী, অধ্যাপক-অধ্যাপিকাক লৈ আমি 'গ্ৰীণ হিলচ্ পাব্লিশ্বিং পাঠ্যপুথি গৱেষক সমিতি', 'গ্ৰীণ হিলচ্ পাব্লিশ্বিং  লিখক সমিতি' আৰু 'গ্ৰীণ হিলচ্  পাব্লিশ্বিং সম্পাদনা সমিতি' নামৰ তিনিখন সমিতি গঠন কৰিছোঁ। ইয়াৰ লগতে আমি সময়ে সময়ে  বিশিষ্ট শিক্ষাবিদ,গৱেষক আৰু চিন্তাবিদসকলৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰি আছোঁ।

আমাৰ আঁচনিৰ পাঠ্যপুথিসমূহ প্ৰণয়ন কৰোতে আমি ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদে যুগুতোৱা ৰূপৰেখাৰ আধাৰত প্ৰৱৰ্তন কৰা পাঠ্যপুথিসমূহক আৰ্হি হিচাপে লৈছোঁ যদিও আমি আমাৰ গৱেষক সমিতিয়ে নিজাববীয়াকৈ যুগুতোৱা আৰ্হিও অনুকৰণ কৰিছোঁ।

পাঠ্যপুথি প্ৰস্তুতকৰণৰ সময়ত ৰাজ্যৰ স্থানীয় বৈশিষ্ট্য, পৰিৱেশ, পৰম্পৰা, আৰ্থ-সামাজিক ভেটি আদিৰ প্ৰতি গুৰুত্ব দিয়া হৈছে। লগতে যুগসাপেক্ষ তথা পৰিৱৰ্তিত পৰিস্থিতিৰ কথাও মনত ৰখা হৈছে। ভাষা, শব্দ চয়ন আৰু বানানৰ ক্ষেত্ৰত আমি 'হেমচন্দ্ৰ বৰুৱাৰ 'হেমকোষ' আৰু 'চন্দ্ৰকান্ত অভিধান' অনুকৰণ কৰিছোঁ।

**অসমীয়া সাহিত্য সোপান- দ্বিতীয় ভাগ** কিতাপখন দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰণয়ন কৰা হৈছে। অসমীয়া আখৰ জোঁটনি, বিশেষকৈ যুক্তাক্ষৰৰ ব্যৱহাৰৰ লগত পৰিচয় কৰি দিয়াই কিতাপখন প্ৰণয়ন কৰাৰ মূল উদ্দেশ্য। শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰ-ছাত্ৰীক পঢ়া শিকোৱাৰ লগতে লিখা অৰ্থাৎ হাতৰ আখৰ শিকোৱাৰ ওপৰতো গুৰুত্ব দিব।

আমাৰ আঁচনিত বহুতো পণ্ডিত আৰু গণ্যমান্য সমল  ব্যক্তিৰ লগতে  কেইবাটাও বেচৰকাৰী সংগঠন (N. G. O.) য়ে পৃষ্ঠপোষকতা, সহযোগ আৰু উৎসাহ-উদ্দীপনা আগবঢ়াইছে। তেখেতসকললৈ আমি আমাৰ হিয়াৰ অভ্যন্তৰৰ  পৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ।

**চেপ্তেম্বৰ, ২০১৬**

**প্ৰকাশক**
**গ্ৰীণ হিলচ্ পাব্লিশ্বিং**

# সূচীপত্র


## গোট-১

পাঠ-এক — য়-কাৰ যোগ / ৫
পাঠ-দুই — ৰেফ্ যোগ / ৯
পাঠ-তিনি — ৰ-কাৰ যোগ / ১২
পাঠ-চাৰি — পূণ্য ৰাজ্য (পদ্য) / ১৬

## গোট-২

পাঠ-পাঁচ — ভিন ভিন বৰ্ণৰ লগত 'ন' যোগ / ১৮
পাঠ-ছয় — একে বৰ্ণৰ যোগ / ২১
পাঠ-সাত — ভিন ভিন বৰ্ণৰ লগত 'স' যোগ / ২৫
পাঠ-আঠ — যেতিয়াৰ যিটো বন (পদ্য) / ৩০

## গোট-৩

পাঠ-ন — ভিন ভিন বৰ্ণৰ লগত 'ধ' যোগ / ৩২
পাঠ-দহ — ভিন ভিন বৰ্ণৰ লগত 'ঞ' যোগ / ৩৫
পাঠ-এঘাৰ — ভিন ভিন বৰ্ণৰ লগত 'ষ' যোগ / ৩৮
পাঠ-বাৰ — কুকুৰ আৰু মঙহ (পদ্য) / ৪২

## গোট-৪

পাঠ-তেৰ — ভেকুলী আৰু নিগনি / ৪৪
পাঠ-চৈধ্য — ডাক-ঘৰ / ৪৮
পাঠ-পোন্ধৰ — বিহু / ৫২
পাঠ-ষোল্ল — কেৰ্কেটুৱা (পদ্য) / ৫৬

গোট-১

## পাঠ ঃ এক

# ‘য়’-কাৰ যোগ

### (১)

### য় = (্য) য়কাৰ

ক + য় = ক্য *(ক ত য়-কাৰে ক্য)*
খ + য় = খ্য *(খ ত য়-কাৰে খ্য)*
গ + য় = গ্য *(গ ত য়-কাৰে গ্য)*
ঘ + য় = ঘ্য *(ঘ ত য়-কাৰে ঘ্য)*
জ + য় = জ্য *(জ ত য়-কাৰে জ্য)*
ত + য় = ত্য *(ত ত য়-কাৰে ত্য)*
থ + য় = থ্য *(থ ত য়-কাৰে থ্য)*
দ + য় = দ্য *(দ ত য়-কাৰে দ্য)*

| | | | | | |
|---|---|---|---|---|---|
| বাক্য | কাম্য | ঐক্য | গদ্য | গণ্য | পণ্য |
| শূন্য | পূণ্য | দৈন্য | মান্য | সাখ্য | নব্য |
| খ্যাতি | জ্যোতি | ত্যাগ | ধ্যান | ন্যায় | ব্যয় |
| সাধ্য | মুখ্য | ৰম্য | ৰাজ্য | ব্যোম | ব্যাখ্যা |
| ব্যাপী | অভ্যাস | যোগ্যতা | জ্যোতিষ | সুখ্যাতি | কুখ্যাতি |

### (২)

### য় = (্য) যকাৰ (উচ্চাৰণ সলনি)

| | | | |
|---|---|---|---|
| শ + য় = শ্য *(শ ত য়-কাৰে শ্য)* | বৈশ্য | দৃশ্য | অৱশ্যে |
| ষ + য় = ষ্য *(ষ ত য়-কাৰে ষ্য)* | শিষ্য | পুষ্য | বিশেষ্য |
| স + য় = স্য *(স ত য়-কাৰে স্য)* | শস্য | ৰহস্য | পাৰস্য |
| হ + য় = হ্য *(হ ত য়-কাৰে হ্য)* | সহ্য | বাহ্য | বাহ্যিক |

পুৰণি কালত ঋষিসকলে গছৰ তলত বহি ধ্যান কৰিছিল। বহুতে সংসাৰ ত্যাগ কৰি বনবাসী হৈছিল। সিহঁতে জীৱনত কোনো খ্যাতি বিচৰা নাছিল। মানৱ কল্যাণৰ উপায় বিচাৰি উলিওৱাই সিহঁতৰ জীৱনৰ মুখ্য উদ্দেশ্য আছিল। কিছুমান ঋষিয়ে অদৃশ্য শক্তিৰ বিষয়েও ব্যাখ্যা আগবঢ়াইছিল। সিহঁতে একেৰাহে কেবাদিনো খাদ্য নোখোৱাকৈ থকাৰ অভ্যাস কৰিছিল।



সিহঁতে মানুহক পূণ্যৰ পথ দেখুৱাইছিল। সিহঁতে কেতিয়াও অপব্যয় কৰা নাছিল। নূন্যতম সুবিধাৰেই সিহঁতে জীৱন কটাইছিল। ঋষিসকলক সকলোৱেই মান্য কৰিছিল। সৰ্বসাধাৰণ মানুহে ঋষিৰ বাক্যক ভগৱানৰ বাক্য বুলি গণ্য কৰিছিল। কিছুমান ঋষিৰ সুখ্যাতি দেশ-বিদেশলৈয়ো বিয়পি পৰিছিল। শাক্য মুনিৰ পুত্ৰ মহাবীৰ তেনে এজন ঋষি আছিল।

## অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### ব্যাকৰণঃ

প্ৰথম শ্ৰেণীত শব্দ গঠন সম্পৰ্কে শিকি আহিছা। এতিয়া আকৌ মনত পেলোৱা যে এটা বা ততোধিক বৰ্ণ লগলাগি কোনো অৰ্থ প্ৰকাশ কৰিলে তাকে **শব্দ** বোলে। যেনেঃ *অসম, ৰাৱণ, শস্য, আকাশ* ইত্যাদি।

### শব্দ অৰ্থ ঃ

**ঋষি** ঃ মুনি, তপস্বী।
**খ্যাতি** ঃ যশস্যা।

| | |
|---|---|
| **কল্যাণ** | ঃ হিত। |
| **অপব্যয়** | ঃ অপ্ৰয়োজনীয় বস্তুত ধন খৰচ কৰা। |
| **নূন্যতম** | ঃ অতি কম। |
| **অদৃশ্য** | ঃ চকুৰে দেখিবলৈ নোপোৱা বস্তু। |
| **মহাঋষি** | ঃ ডাঙৰ ঋষি। |
| **ধ্যান** | ঃ দেৱতা বা কোনো বিষয়ৰ ওপৰত একান্তমনে চিন্তা কৰা কাৰ্য। |

**একাৰ্থক শব্দঃ**

| | |
|---|---|
| ডাঙৰ | ঃ বৰ, বৃহৎ |
| উদ্দেশ্য | ঃ লক্ষ্য |
| পথ | ঃ বাট |
| ভগৱান | ঃ ঈশ্বৰ |
| মুখ্য | ঃ প্ৰধান |

**বিঃ দ্ৰঃ** একে ভাষাত একে ধৰণৰ অৰ্থ বুজোৱা শব্দবোৰক **একাৰ্থক, সমাৰ্থক বা একে অৰ্থৰ শব্দ** বোলে।

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। খালী ঠাই পূৰণ কৰা।

(ক) পুৰণি কালত ..................... গছৰ তলত বহি ধ্যান কৰিছিল।

(খ) ................ সুবিধাৰেই সিহঁতে জীৱন কটাইছিল।

(গ) ঋষিসকলক সকলোৱেই ................ কৰিছিল।

(ঘ) সৰ্বসাধাৰণ মানুহে ঋষিৰ বাক্যক ভগৱানৰ ............. বুলি গণ্য কৰছিছিল।

(ঙ) সিহঁতে মানুহক .................. পথ দেখুৱাইছিল।

২। উত্তৰ দিয়া।

(ক) ঋষিসকলে জীৱনত খ্যাতি বিচাৰিছিলনে?

(খ) ঋষিসকলৰ জীৱনৰ মুখ্য উদ্দেশ্য কি আছিল?

(গ) সৰ্বসাধাৰণ মানুহে ঋষিৰ বাক্যক কি বুলি মান্য কৰিছিল?

(ঘ) ঋষিসকলে কিহৰ ব্যাখ্যা আগবঢ়াইছিল?

(ঙ) শাক্যমুনিৰ পুত্ৰৰ নাম কি আছিল?

৪। 'শ্য' ব্যৱহাৰ কৰি তিনিটা শব্দ আৰু 'স্য' ব্যৱহাৰ কৰি তিনিটা শব্দ লিখা।

৫। বানান কৰি পঢ়া।

খ্যাতি, জ্যোতি, ব্যোম, জ্যোতিষ, যোগ্যতা, বাহ্যিক, পুষ্য, শস্য, সহ্য, ৰহস্য।

৬। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো একোটা বাক্য সাজাঁ। এটি তোমাৰ বাবে কৰি দিয়া হৈছে।

ত্যাগ ন্যায় সুখ্যাতি অভ্যাস বাহ্যিক নব্য শিষ্য

*ত্যাগঃ ঋষিসকলে বিলাসী জীৱন ত্যাগ কৰি অৰণ্যত ধ্যান কৰিছিল।*

৭। তিনি শাৰী হাতৰ আখৰ লিখা।

# আয় চাই ব্যয় কৰিব লাগে।

## গ. প্ৰকল্প

পুৰণি বাতৰি কাকত সংগ্ৰহ কৰি য়-কাৰ (্য) ব্যৱহাৰ হোৱা পাঁচোটা শব্দ বিচাৰি উলিওৱা।

## ঘ. প্ৰেৰণাদায়ক বক্তব্য

**হাতৰ আখৰ শিক্ষাৰ এক প্ৰধান অংগ** - শিক্ষকে এই বিষয়ে এক প্ৰেৰণাদায়ক বক্তব্য আগবঢ়াব যাতে শিশুহঁতে শিক্ষা জীৱনৰ আৰম্ভণিৰ পৰাই ভাল হাতৰ আখৰৰ গুৰুত্ব উপলব্ধি কৰিব পাৰে।

সংকেতঃ

*মহাত্মা গান্ধীয়ে কৈছিল, "হাতৰ আখৰ শিক্ষাৰ এক অবিচ্ছেদ্য অংগ।" গান্ধীজীয়ে তেখেতৰ বেয়া হাতৰ আখৰৰ বাবে গোটেই জীৱন অনুতাপ কৰিছিল।*

*ভাল হাতৰ আখৰে ছাত্ৰ-ছাত্ৰীৰ মনত সৌন্দৰ্যবোধ বৃদ্ধি কৰে।*

*ভাল হাতৰ আখৰে লিখা-পঢ়াৰ প্ৰতি মনোযোগ বৃদ্ধি কৰে।*

*ভাল হাতৰ আখৰ এজন ব্যক্তিৰ ব্যক্তিত্বৰ ওপৰতো প্ৰভাৱ পেলায়।*

*ভাল হাতৰ আখৰৰ অধিকাৰী ছাত্ৰই সহজে শিক্ষকসকলৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰে।*

**শিক্ষকলৈ টোকা ঃ** পাঠটি পঢ়োৱাৰ সময়ত শিক্ষক শিক্ষয়িত্ৰীয়ে য়-কাৰ (্য) ব্যৱহাৰ হোৱা শব্দবোৰ শুদ্ধ উচ্চাৰণত লাহে লাহে কেইবাবাৰো পঢ়ি যাব আৰু শিশুহঁতে পাছে পাছে আওৰাই থাকিব। ছাত্ৰ-ছাত্ৰীয়ে বাৰে বাৰে পঢ়া আৰু লিখাৰ মাধ্যমেৰে শব্দৰ বানানবোৰ আয়ত্ব কৰাৰ ওপৰত গুৰুত্ব দিব।

প্ৰতিটো পাঠৰ বাবে কমেও একসপ্তাহ সময় ধাৰ্য কৰা উচিত। ০ ০ ০

# পাঠ ঃ দুই

# ৰেফ্ যোগ

## ৰ = ( ´ ) ৰেফ্

| | |
|---|---|
| ৰ + ক = র্ক (ৰ য় ক য় র্ক) | ৰ + খ = র্খ (ৰ য় খ য় র্খ) |
| ৰ + গ = র্গ (ৰ য় গয় র্গ ) | ৰ + ঘ = র্ঘ (ৰ য় ঘ য় র্ঘ) |
| ৰ + জ = র্জ (ৰ য় জ য় র্জ ) | ৰ + ত = র্ত (ৰ য় ত য় র্ত ) |
| ৰ + থ = র্থ (ৰ য় থ য় র্থ) | ৰ + দ = র্দ (ৰ য় দ য় র্দ ) |

| | | | | | |
|---|---|---|---|---|---|
| তৰ্ক | নৰ্ক | মূৰ্খ | পূৰ্ণ | গৰ্গ | মাৰ্গ |
| অৰ্ঘ | গৰ্ব | সৰ্প | তীৰ্থ | আৰ্চি | মৰ্ত |
| দীৰ্ঘ | শীৰ্ষ | শৰ্মা | বৰ্ষ | হৰ্ষ | ধৰ্ম |
| সতীৰ্থ | নিৰ্ভৰ | প্ৰাৰ্থনা | অৰ্জন | বৰ্জন | আৰ্থিক |

ধৰ্মই মানুহক শান্তিৰ পথ দেখুৱায়। ধৰ্মৰ বাবে তীৰ্থ ভ্ৰমণৰ প্ৰয়োজন নাই। মানৱ সমাজেই ধাৰ্মিক লোকসকলৰ বাবে পূণ্যতীৰ্থ। ধাৰ্মিক লোকসকলে কেতিয়াও নিজৰ অৱদানৰ বাবে গৰ্ব নকৰে। সিহঁতে কাৰো প্ৰতি ঈৰ্ষাভাৱ পোষণ নকৰে। ধাৰ্মিক লোকসকলে সৰ্বসাধাৰণ মানুহক সৰল পথৰ আৰ্হি দেখুৱায়। তীৰ্থনাথ শৰ্মা আমাৰ সমাজৰ এজন বৰ ধৰ্মপৰায়ণ ব্যক্তি। তেখেতে কয়, "মানুহক হিংসা কৰাটো গৰ্হিত কাম।" তেখেতে নিয়মিত ভগৱানক প্ৰাৰ্থনা কৰে।

সাপক 'সৰ্প' বুলিও কোৱা হয়। আমাজান বৰ্ষাৰণ্যত বহুতো প্ৰজাতিৰ বিষধৰ সাপ পোৱা যায়। বৰ্ষা কালত সাপ অধিক পৰিমাণে দেখা যায়।

# অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### ব্যাকৰণঃ

প্ৰথমশ্ৰেণীত বাক্য গঠন সম্পৰ্কে আভাস পাই আহিছা। এতিয়া আকৌ মনত পেলোৱা যে এটা বা ততোধিক শব্দ লগলাগি কোনো সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিলে তাকে **বাক্য** বোলে। যেনেঃ *মালতি এজনী ছোৱালী।*

### শব্দ অৰ্থ ঃ

**তীৰ্থ** ঃ পৱিত্ৰ স্থান
**গৰ্ব** ঃ অহংকাৰ।
**ঈৰ্ষা** ঃ আনৰ ভাল দেখি বেয়া ভাৱ পোষণ কৰা।
**সৰল** ঃ পোন, সহজ।
**আৰ্হি** ঃ উদাহৰণ।
**গৰ্হিত** ঃ ঘৃণনীয়।
**পূণ্য** ঃ সৎ কৰ্ম।

### একাৰ্থক শব্দঃ

বৰ্ষা ঃ বাৰিষা
মাৰ্গ ঃ বাট
সৰ্প ঃ সাপ

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। শুদ্ধ নে অশুদ্ধ লিখা।

(ক) ধৰ্মই মানুহক শান্তিৰ পথ দেখুৱায়।
(খ) ধৰ্মৰ বাবে তীৰ্থ ভ্ৰমণৰ প্ৰয়োজন আছে।
(গ) ধাৰ্মিক লোকসকলে নিজৰ অৱদানৰ বাবে গৰ্ব কৰে।

(ঘ) মানুহক হিংসা কৰাটো গৰ্হিত কাম।

(ঙ) আমাজান বৰ্ষাৰণ্যত  বহুতো প্ৰজাতিৰ বিষধৰ সাপ পোৱা যায়।

২। উত্তৰ দিয়া।

(ক) ধৰ্মই মানুহক কি দেখুৱায়?

(খ) ধাৰ্মিক লোকসকলৰ বাবে পূণ্যতীৰ্থ কি?

(গ) ধাৰ্মিক লোকসকলে মানুহৰ প্ৰতি ঈৰ্ষাভাৱ পোষণ কৰে নে?

(ঘ) পাঠটিত উল্লেখ থকা ধৰ্মপৰায়ণ ব্যক্তিজনৰ নাম কি?

(ঙ) মানুহক হিংসা কৰাটো কি কাম?

৪। 'ৰ্ক' ব্যৱহাৰ কৰি তিনিটা শব্দ  আৰু 'ৰ্ষ' ব্যৱহাৰ কৰি তিনিটা শব্দ লিখা।

৫। বানান কৰি পঢ়া।

আৰ্চি   অৰ্ঘ   মৰ্ত   সতীৰ্থ   অৰ্জন   আৰ্থিক   পাৰ্থিৱ   নিৰ্ভৰ

৬। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো একোটা বাক্য সাজাঁ।

দীৰ্ঘ   শীৰ্ষ   হৰ্ষ   অৰ্ঘ   সতীৰ্থ   বৰ্জন   আৰ্থিক

টোকাঃ যেতিয়া কোনো বিশেষ শব্দ ব্যৱহাৰ কৰি এটি বাক্য গঠন কৰা হয়, তাকে **বাক্য ৰচনা** বোলে।

৬। তিনিশাৰী হাতৰ আখৰ লিখা।

# ধৰ্মই সৰল পথ দেখুৱায়।

## গ . প্ৰকল্প

পুৰণি বাতৰি কাকত সংগ্ৰহ কৰি ৰেফ্ ( ´ ) ব্যৱহাৰ হোৱা পাঁচোটা শব্দ বিচাৰি উলিয়াই তোমাৰ শিক্ষকক দেখুওৱা।

**শিক্ষকলৈ টোকা ঃ** পাঠটি পঢ়োৱাৰ সময়ত শিক্ষক শিক্ষয়িত্ৰীয়ে ৰেফ্ ( ´ ) ব্যৱহাৰ হোৱা শব্দবোৰ শুদ্ধ উচ্চাৰণত লাহে লাহে কেইবাবাৰো পঢ়ি যাব আৰু শিশুহঁতে পাছে পাছে আওৰাই থাকিব। ছাত্ৰ-ছাত্ৰীয়ে বাৰে বাবে  পঢ়া আৰু লিখাৰ মাধ্যমেৰে শব্দৰ বানানবোৰ আয়ত্ব কৰাৰ ওপৰত গুৰুত্ব দিব।

প্ৰতিটো পাঠৰ বাবে কমেও একসপ্তাহ সময় ধাৰ্য কৰা উচিত। ০ ০ ০

# পাঠ ঃ তিনি

# ৰ- কাৰ যোগ

## (১)

## ৰ = ( ্র ) ৰ-কাৰ

খ + ৰ = খ্ৰ *(খ ত ৰ-কাৰে খ্ৰ)*
গ + ৰ = গ্ৰ *(গ ত ৰ-কাৰে গ্ৰ)*
ঘ + ৰ = ঘ্ৰ *(ঘ ত ৰ-কাৰে ঘ্ৰ)*
চ + ৰ = চ্ৰ *(চ ত ৰ-কাৰে চ্ৰ)*

ব্যগ্ৰ আগ্ৰহ বিগ্ৰহ নম্ৰ ভদ্ৰ ব্যাঘ্ৰ প্ৰাচ্য

*ক, ত, আৰু ভ -ৰ লগত ৰ-কাৰ ( ্র ) যোগ হ'লে সিহঁতক দুই ৰূপত লিখিব পাৰি।*

ক + ৰ = ক্ৰ / ক্ৰ *(ক ত ৰ-কাৰে ক্ৰ / ক্ৰ)*
ত + ৰ = ত্ৰ / ত্ৰ *(ত ত ৰ-কাৰে ত্ৰ / ত্ৰ)*
ভ + ৰ = ভ্ৰ / ভ্ৰ *(ভ ত ৰ-কাৰে ভ্ৰ / ভ্ৰ)*

| | | | | | |
|---|---|---|---|---|---|
| বক্ৰ | চক্ৰ | সত্ৰ | পত্ৰ | মিত্ৰ | অভ্ৰ |
| নম্ৰ | ছত্ৰ | শুভ্ৰ | ভ্ৰাম্য | ছাত্ৰ | ক্ৰীম |
| ভ্ৰমৰ | চক্ৰধৰ | ত্ৰিপদ | ত্ৰিলোচন | ত্ৰিপক্ষ | ত্ৰিনয়ন |

## (২)

## ৰ = ( ্র ) ৰকাৰ

কিছুমান ৰ-কাৰান্ত শব্দত উ ( ু ) আৰু ঊ ( ূ ) যোগ হ'লে সিহঁতৰ ৰূপ সলনি হয়। যেনে —

ত + ৰ + উ = ত্ৰু — যেনে ঃ *ত্ৰুটি*

দ + ৰ + উ = দ্ৰু — যেনে ঃ *দ্ৰুম*

ধ + ৰ + উ = ধ্ৰু — যেনে ঃ *ধ্ৰুপদী*


শ + ৰ + উ = শ্ৰু — যেনে ঃ *শ্ৰুতি*

ব + ৰ + উ = ব্ৰু — যেনে ঃ *ডিব্ৰুগড়*

দ + ৰ + ঊ = দ্ৰূ — যেনে ঃ *বিদ্ৰূপ*

ভ + ৰ + ঊ = ভ্ৰূ — যেনে ঃ *ভ্ৰূকুটি*

শ + ৰ + ঊ = শ্ৰূ / শ্ৰূ — যেনে ঃ *শুশ্ৰূষা*



প্ৰাচীন কালত হাবি-বননি বহুত ধৰণৰ বনৰীয়া জন্তুৰে ভৰি আছিল। অসমৰ হাবি বাঘৰ বাবে বিখ্যাত আছিল। বাঘক ব্যাঘ্ৰ বুলিও কোৱা হয়।

আগৰ যুগত ছাত্ৰসকলে গুৰুগৃহত থাকি লিখা-পঢ়া শিকিব লাগিছিল। গুৰুগৃহত থাকি শিক্ষা লাভ কৰা ছাত্ৰসকলক 'শিষ্য' বুলি কোৱা হৈছিল। গুৰুৱে শিষ্যসকলক ভদ্ৰ আচৰণ শিকোৱাৰ ওপৰত বিশেষ গুৰুত্ব দিছিল। ছাত্ৰকালটো চৰিত্ৰ গঠনৰ উপযুক্ত সময়। এই সময়ত ছাত্ৰসকলে অবাৰতে সময় খৰচ কৰা উচিত নহয়।

আমি কাকো বিদ্ৰূপ কৰিব নালাগে। অভাৱী লোকসকলৰ প্ৰতি ভ্ৰূকুটি কৰাটো অমানবীয় আচৰণ। আমি পিতৃ-মাতৃ আৰু গুৰুজনক সেৱা-শুশ্ৰূষা কৰিব লাগে।



বেদ, উপনিষদ, পুৰাণ, ৰামায়ণ, মহাভাৰত আদি ধ্ৰুপদী সাহিত্য। বেদক 'শ্ৰুতি' বুলিও কোৱা হয়। 'শ্ৰুতি' মানে শ্ৰৱণ কৰা।

# অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### ব্যাকৰণঃ

প্ৰথম শ্ৰেণীত বিশেষ্য পদৰ বিষয়ে শিকি আহিছা। এতিয়া আকৌ মনত পেলোৱা যে যি পদে কোনো প্ৰাণী, বস্তু, ঠাই বা গুণ আদিৰ নাম বুজায় তাকে **বিশেষ্য** বোলে। যেনে ঃ *ৰাম (মানুহৰ নাম), গৰু (জন্তুৰ নাম), বৰপেটা (ঠাইৰ নাম), সাধুতা (গুণৰ নাম)* ইত্যাদি।

### শব্দ অৰ্থ ঃ

**গুৰু** ঃ শিক্ষক (যাৰ ওচৰত বিদ্যা শিক্ষা কৰা হয়)।
**শিষ্য** ঃ ছাত্ৰ, বিশেষকৈ গুৰু গৃহত থাকি শিক্ষা লাভ কৰা সকলক বুজায়।
**গুৰুত্ব** ঃ অতি প্ৰয়োজনীয় বুলি জোৰ দিয়া।
**ভ্ৰূকুটি** ঃ ঈৰ্ষা বা হিংসা কৰি কোনো ব্যক্তিৰ প্ৰতি চকু কোঁচাই দৃষ্টি দিয়া।
**শুশ্ৰূষা** ঃ সেৱা কৰা, আলপৈচান ধৰা।
**শ্ৰুতি** ঃ শ্ৰৱণ কৰা।
**ধ্ৰুপদী** ঃ প্ৰাচীন, শ্ৰেষ্ঠ।

### একাৰ্থক শব্দঃ

বাঘ ঃ ব্যাঘ্ৰ
শিষ্য ঃ ছাত্ৰ
বিদ্ৰূপ ঃ নিন্দা, ঠাট্টা।

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। খালী ঠাই পূৰণ কৰা।

(ক) অসম ................ বাবে বিখ্যাত আছিল।
(খ) বাঘক ................... বুলিও কোৱা হয়।
(গ) গুৰুগৃহত থাকি শিক্ষা লাভ কৰা ছাত্ৰক ................ বুলি কোৱা হয়।

(ঘ) ................ কালটো চৰিত্ৰ গঠনৰ উপযুক্ত সময়।

(ঙ) আমি কাকো .................. কৰিব নালাগে।

২। উত্তৰ দিয়া।

(ক) প্ৰাচীনকালত ছাত্ৰসকলে ক'ত শিক্ষা লাভ কৰিছিল?

(খ) গুৰুয়ে শিষ্যসকলক কি শিকোৱাৰ ওপৰত গুৰুত্ব দিছিল?

(গ) অভাৱী লোকসকলৰ প্ৰতি ভ্ৰূকুটি কৰাটো কেনে আচৰণ?

(ঘ) তিনিটা ধ্ৰুপদী সাহিত্যৰ উদাহৰণ দিয়া।

(ঙ) 'শ্ৰুতি' মানে কি?

৪। 'ক্ৰ' ব্যৱহাৰ কৰি তিনিটা শব্দ আৰু 'শ্ৰু' ব্যৱহাৰ কৰি তিনিটা শব্দ লিখা।

৫। বানান কৰি পঢ়া।

ডিব্ৰুগড় ত্ৰুটি ত্ৰিপক্ষ দ্ৰুম ভ্ৰাম্য ভ্ৰমৰ

৬। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো একোটা বাক্য সাজাঁ।

সত্ৰ মিত্ৰ পাত্ৰ আগ্ৰহ নম্ৰ প্ৰাচ্য

৭। বাঘৰ বিষয়ে তিনিটা বাক্য লিখা।

৮। তিনিশাৰী হাতৰ আখৰ লিখা।

# কাকো হিংসা কৰিব নালাগে।

## গ. প্ৰকল্প

পুৰণি বাতৰি কাকত সংগ্ৰহ কৰি ৰ-কাৰ ( ্ৰ ) ব্যৱহাৰ হোৱা পাঁচোটা শব্দ বিচাৰি উলিয়াই তোমাৰ শিক্ষকক দেখুওৱা।

**শিক্ষকলৈ টোকা ঃ** পাঠটি পঢ়োৱাৰ সময়ত শিক্ষক-শিক্ষয়িত্ৰীয়ে ৰ-কাৰ ( ্ৰ ) ব্যৱহাৰ হোৱা শব্দবোৰ শুদ্ধ উচ্চাৰণত ধীৰ গতিত কেইবাবাৰো পঢ়ি যাব আৰু শিশুহঁতে পাছে পাছে আওৰাই থাকিব। ছাত্ৰ-ছাত্ৰীয়ে বাৰে বাবে পঢ়া আৰু লিখাৰ মাধ্যমেৰে শব্দৰ বানানবোৰ আয়ত্ব কৰাৰ ওপৰত গুৰুত্ব দিব।

প্ৰতিটো পাঠৰ বাবে কমেও একসপ্তাহ সময় ধাৰ্য কৰা উচিত। o o o

## পাঠ ঃ চাৰি

# পূণ্য ৰাজ্য

পৃথিৱীত যদি থাকিব খুজিছা
সত্যৰ আশ্ৰয় লোৱা,
অসাৰ অসত্য কাতি কৰি থ'ই
সত্যৰ গৰিমা গোৱা।
ধৰ্মৰ বাটত ফুৰিবা চাকিবা
খোজেপতি ৰাখি চিন,
অধৰ্মৰ ৰাজ্য চঞ্চল অতিকে
নেথাকে বহু দিন।
সকলোকে তুমি সমান চকুৰে
সমান ভাৱেৰে চাবা,
তেহে সকলোৰে সমান মৰম
সমান ভাৱেৰে পাবা।
ক'বলগা কথা মনত লুকাই
নুভুলাবা মিছা কই,
নেভাবিবা তুমি আছে জিভাখনি
মাথো ফাঁকি দিবলই।

---- *দুৰ্গেশ্বৰ শৰ্মা*

***বিঃদ্রঃ** কবিতাটি নৰকান্ত বৰুৱাই সম্পাদনা কৰা 'মৰুৱা ফুল' কাব্য সংকলনখনৰ পৰা তুলি দিয়া হৈছে।*

# অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### শব্দ অৰ্থ ঃ

| | |
|---|---|
| **সত্য** | ঃ সঁচা, যি মিছা নহয়। |
| **অসাৰ** | ঃ মূল্যহীন। |
| **কাতি কৰি** | ঃ পেলাই দি, গুৰুত্ব নিদিয়া। |
| **চঞ্চল** | ঃ অস্থিৰ, থিৰ হৈ নথকা। |

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। কবিতাটি মুখস্থ কৰা।

২। কবিতাটিৰ মূল কথাখিনি নিজৰ ভাষাত কোৱা আৰু লিখা।

৩। উত্তৰ দিয়া।

(ক) কবিয়ে কিহৰ আশ্ৰয় ল'বলৈ কৈছে।

(খ) আমি কিহৰ গৰিমা গাব লাগে?

(গ) অধৰ্মৰ ৰাজ্য কেনেকুৱা?

(ঘ) আমি সকলোকে কেনে ভাৱেৰে চাব লাগে?

(ঙ) কবিয়ে আমাক কি নাভাবিবলৈ কৈছে?

৪। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো একোটা বাক্য সাজাঁ।

সত্য    অধৰ্ম    চঞ্চল    আশ্ৰয়    ফাঁকি

৫। পঢ়া, বুজা আৰু লিখা। (এটি তোমাৰ বাবে কৰি দিয়া হৈছে)

| | | |
|---|---|---|
| (ক) লোৱা | ঃ | নোলোৱা |
| (খ) গোৱা | ঃ | .............. |
| (গ) চাবা | ঃ | .............. |
| (ঘ) পাবা | ঃ | .............. |

## গোট-২

### পাঠ ঃ পাঁচ

# ভিন ভিন বৰ্ণৰ লগত ‘ন’ যোগ

গ + ন = গ্ন যেনে ঃ *অগ্নি, ভগ্নী, ৰুগ্ন, ভগ্ন,*
ঘ + ন = ঘ্ন যেনে ঃ *কৃতঘ্ন*
ত + ন = ত্ন যেনে ঃ *ৰত্ন, যত্ন, প্ৰত্ন*
ন + ন = ন্ন যেনে ঃ *অন্ন, বিভিন্ন, অভিন্ন, কিন্নৰ, পান্না।*
ম + ন = ম্ন যেনে ঃ *নিম্ন*
শ + ন = শ্ন যেনে ঃ *প্ৰশ্ন*
স + ন = স্ন যেনে ঃ *স্নো, জোৎস্না, স্নান*
হ + ন = হ্ন যেনে ঃ *আহ্নিক, অপৰাহ্ন*

জুইক অগ্নি বোলে।
যত্ন কৰিলে ৰত্ন পায়।
ভাতক অন্ন বোলে।
প্ৰশ্ন চাই উত্তৰ কৰিব লাগে।
অসমত বিভিন্ন প্ৰজাতিৰ হৰিণ পোৱা যায়।
কৃতঘ্ন মানুহক কোনেও ভাল নাপায়।
প্ৰত্যেক দিন স্নান কৰিব লাগে।
পৃথিৱীৰ আহ্নিক গতিৰ ফলত দিন-ৰাতি হয়।
অপৰাহ্নত আমাৰ বিদ্যালয় ছুটি হয়।
স্বৰ্গৰ গায়কক কিন্নৰ বোলে।
ভগ্নী মানে ভনী।

# অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### ব্যাকৰণঃ

প্ৰথম শ্ৰেণীত ক্ৰিয়া পদৰ বিষয়ে শিকি আহিছা। এতিয়া আকৌ মনত পেলোৱা যে যি পদে কোনো কাম কৰা বা হোৱা বুজায়, তাকে **ক্ৰিয়া** বোলে। যেনেঃ *ৰামে অংক কৰে। হৰিয়ে গান গায়। সিহঁতে বল খেলে।*

### শব্দ অৰ্থ ঃ

**ৰত্ন** ঃ বহুমূলীয়া ধাতু।
**কৃতঘ্ন** ঃ অকৃতজ্ঞ (যিয়ে উপকাৰীৰ উপকাৰ স্বীকাৰ নকৰে)।
**অপৰাহ্ন** ঃ ভাটিবেলা
**স্নান কৰা** ঃ গা ধোৱা।

### একাৰ্থক শব্দঃ

অগ্নি ঃ জুই
অন্ন ঃ ভাত
অপৰাহ্ন ঃ ভাটিবেলা
ভগ্নী ঃ ভনী।

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। খালী ঠাই পূৰণ কৰা।

(ক) জুইক ................ বোলে।
(খ) .................. কৰিলে ৰত্ন পায়।
(গ) প্ৰশ্ন চাই ................ কৰিব লাগে।
(ঘ) ................ মানুহক কোনেও ভাল নাপায়।
(ঙ) অসমত বিভিন্ন প্ৰজাতিৰ .................. পোৱা যায়।

২। উত্তৰ দিয়া।

(ক) আমি কেনেদৰে ৰত্ন পাব পাৰোঁ ?
(খ) কোন ধৰণৰ মানুহক কোনেও ভাল নাপায় ?
(গ) আমি প্ৰত্যেক দিন কি কৰিব লাগে ?
(ঘ) পৃথিৱীত দিন-ৰাতি কেনেদৰে হয় ?
(ঙ) স্বৰ্গৰ গায়কসকলক কি বোলে ?

৪। ‘ন্ন’ ব্যৱহাৰ কৰি তিনিটা শব্দ আৰু ‘হ্ন’ ব্যৱহাৰ কৰি তিনিটা শব্দ লিখা।

৫। বানান কৰি পঢ়া।

| | | | | | |
|---|---|---|---|---|---|
| জোৎস্না | ভগ্নী | পান্না | স্নো | অভিন্ন | প্ৰসন্ন |

৬। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো একোটা বাক্য সাজাঁ।

| | | | | | |
|---|---|---|---|---|---|
| ৰুগ্ন | নিম্ন | বিভিন্ন | ভগ্ন | ৰাস্না | প্ৰত্ন |

৮। তিনিশাৰী হাতৰ আখৰ লিখা।

# স্বৰ্গৰ গায়কক কিন্নৰ বোলে।

## গ . প্ৰকল্প

আমাৰ হাতৰ আঙুলিবোৰৰ প্ৰত্যেকটোৰে একো একোটা নাম আছে। তোমাৰ শিক্ষকৰ পৰা নামবোৰ জানি লৈ তোমাৰ বহীত লিখা।

## ঘ . প্ৰেৰণাদায়ক বক্তব্য

আমি পঢ়ি অহা পাঠবোৰ মাজে মাজে **পুনৰাই পঢ়া (পুনৰালোচনা)** ৰ গুৰুত্ব সম্পৰ্কে শিক্ষকে এক প্ৰেৰণাদায়ক বক্তব্য আগবঢ়াব যাতে ছাত্ৰ-ছাত্ৰীয়ে আগতে পঢ়ি অহা পাঠবোৰ পুনৰাই পঢ়িবলৈ উৎসাহ পায়।

সংকেত ঃ

*পুনৰালোচনাই বিষয়-বস্তু দীৰ্ঘ দিনলৈ মনত ৰখাত সহায় কৰে। ই ভাষা কোৱা আৰু লিখাত স্বতঃস্ফূৰ্ততা দান কৰে।*

*ইংৰাজ অভিধান লেখক ডঃ জনচনে কৈছিল, “আমি প্ৰত্যেক দিন নতুন নতুন কিতাপ পঢ়াতকৈ আগতে পঢ়া কিতাপবোৰ মাজে মাজে পুনৰাই পঢ়া বেছি ফলপ্ৰসু।”*

**শিক্ষকলৈ টোকা ঃ** পাঠটি পঢ়োৱাৰ সময়ত শিক্ষক-শিক্ষয়িত্ৰীয়ে যুক্তাক্ষৰ ব্যৱহাৰ হোৱা শব্দবোৰ শুদ্ধ উচ্চাৰণত ধীৰ গতিত কেইবাবাৰো পঢ়ি যাব আৰু শিশুহঁতে পাছে পাছে আওৰাই থাকিব। ছাত্ৰ-ছাত্ৰীয়ে বাৰে বাৰে পঢ়া আৰু লিখাৰ মাধ্যমেৰে শব্দৰ বানানবোৰ আয়ত্ব কৰাৰ ওপৰত গুৰুত্ব দিব। ০ ০ ০

# পাঠ ঃ ছয়

# একে বৰ্ণৰ যোগ

ক + ক = ক্ক (কয় কয় ক্ক)
চ + চ = চ্চ (চয় চয় চ্চ)
ট + ট = ট্ট (টয় টয় ট্ট)
জ + জ = জ্জ (জয় জয় জ্জ)
ড + ড = ড্ড (ডয় ডয় ড্ড)
ণ + ণ = ণ্ণ (ণয় ণয় ণ্ণ)
দ + দ = দ্দ (দয় দয় দ্দ)
ন + ন = ন্ন (নয় নয় ন্ন)
প + প = প্প (পয় পয় প্প)
ব + ব = ব্ব (বয় বয় ব্ব)
ম + ম = ম্ম (ময় ময় ম্ম)
ল + ল = ল্ল (লয় লয় ল্ল)
ত + ত = ত্ত (তয় তয় ত্ত)

| | | | | | |
|---|---|---|---|---|---|
| পক্ক | মক্কা | পৰিপক্ক | উচ্চ | উচ্চাৰণ | ঠাট্টা |
| লজ্জা | সজ্জা | নিমজ্জিত | আড্ডা | বিষণ্ণ | খদ্দৰ |
| ভিন্ন | হৰপ্পা | পাপ্পী | তিব্বত | পৰ্ব্বত | মহম্মদ |
| দিল্লী | মল্ল | পল্লৱ | উত্তাপ | উত্তৰ | মত্ত |

পৰিপক্ক গছৰ বীজ বিধান হিচাপে ব্যৱহাৰ কৰিব লাগে।
আমি শুদ্ধভাৱে উচ্চাৰণ শিকিব লাগে।
কাকো ঠাট্টা কৰিব নালাগে।
লজ্জা নিবাৰণৰ বাবে আমি সাজ-পোছাক পৰিধান কৰো।

বিনা কাৰণত আড্ডা দি সময় অপব্যয় কৰিব নালাগে।
আমি বিষণ্ণ মনেৰে কোনো কাম কৰা উচিত নহয়।



মহাত্মা গান্ধীয়ে খদ্দৰ কাপোৰ পৰিধান কৰিছিল।
হৰপ্পাত প্ৰাচীন ভাৰতীয় সভ্যতাৰ চিন পোৱা গৈছে।
পাটকাই পৰ্ব্বত পাৰ হৈ চুকাফাই অসমত প্ৰৱেশ কৰিছিল।
হজৰত মহম্মদ ইছলাম ধৰ্মৰ প্ৰৱৰ্তক।
দিল্লী ভাৰতৰ ৰাজধানী।
পল্লৱ মানে গছৰ কুঁহিপাত।
জুইৰ পৰা আমি উত্তাপ পাওঁ।
সিহঁত বিনোদনত মত্ত হৈছে।

## অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### ব্যাকৰণঃ

প্ৰথম শ্ৰেণীত সৰ্বনাম পদৰ বিষয়ে শিকি আহিছা। এতিয়া আকৌ মনত পেলোৱা যে বিশেষ্য পদৰ সলনি যি পদ ব্যৱহাৰ কৰা হয়, তাকে **সৰ্বনাম** বোলে। যেনে ঃ

ৰাম এজন ভাল ল'ৰা। তেওঁ দ্বিতীয় শ্ৰেণীত পঢ়ে।

ওপৰৰ দ্বিতীয় বাক্যত ব্যৱহাৰ হোৱা 'তেওঁ'পদটো প্ৰথম বাক্যত থকা 'ৰাম' পদৰ সলনি ব্যৱহাৰ কৰা হৈছে। সেয়ে 'তেওঁ' পদটি সৰ্বনাম পদ।

### শব্দ অৰ্থ ঃ

**আড্ডা** ঃ কেইবাজন ব্যক্তি একেলগ হৈ অলাগতিয়াল বিষয়ৰ ওপৰত কৰা আলোচনা।

**বিষণ্ণ** ঃ মন মৰা, বেজাৰমুৰা।

**খদ্দৰ** ঃ হাতেৰে বোৱা কপাহী কাপোৰ।

**ঠাট্টা** ঃ নিন্দা।

**বিনোদন** ঃ আনন্দ।

**অপব্যয়** ঃ অপ্ৰয়োজনীয় কামত ধন খৰচ কৰা।

### একাৰ্থক শব্দঃ

পল্লৱ ঃ কুঁহিপাত

বিনোদন ঃ আনন্দ

পৰিপক্ক ঃ পকা

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। শুদ্ধ নে অশুদ্ধ কোৱা।

(ক) পৰিপক্ক গছৰ বীজ বিধান হিচাপে ব্যৱহাৰ কৰিব লাগে।

(খ) সৌন্দৰ্য বৃদ্ধিৰ বাবে আমি সাজ-পোছাক পৰিধান কৰোঁ।

(গ) আমি বিষণ্ণ মনেৰে কাম কৰা উচিত।

(ঘ) চুকাফাই হিমালয় পৰ্বত পাৰ হৈ অসমত প্ৰৱেশ কৰিছিল।

(ঙ) হজৰত ইছমাইল ইছলাম ধৰ্মৰ প্ৰৱৰ্তক।

২। উত্তৰ দিয়া।

(ক) আমি কিয় সাজ-পোছাক পৰিধান কৰোঁ?

(খ) মহাত্মা গান্ধীয়ে কেনে ধৰণৰ কাপোৰ পৰিধান কৰিছিল?

(গ) ভাৰতৰ ৰাজধানীৰ নাম কি?

(ঘ) ‘পল্লৱ’ মানে কি?

(ঙ) জুইৰ পৰা আমি কি পাওঁ?

৪। ‘ল্ল’ ব্যৱহাৰ কৰি তিনিটা শব্দ আৰু ‘জ্জ’ ব্যৱহাৰ কৰি তিনিটা শব্দ লিখা।

৫। বানান কৰি পঢ়া।

| | | | | | |
|---|---|---|---|---|---|
| নিমজ্জিত | লজ্জা | তিব্বত | মক্কা | মল্ল | পক্ব |

৬। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো একোটা বাক্য সাজাঁ।

| | | | | | |
|---|---|---|---|---|---|
| ৰাজধানী | মত্ত | উচ্চ | সভ্যতা | বিনোদন | সাজ-পোছাক |

৮। তিনিশাৰী হাতৰ আখৰ লিখা।

# পল্লৱ মানে কুঁহিপাত।

## গ. প্ৰকল্প

ভাবা আৰু উত্তৰ দিয়া ঃ

*জন্তুও নহয়*
*চৰাইয়ো নহয়*
*নিশাচৰ বুলি মানুহে কয়।*

**শিক্ষকলৈ টোকা ঃ** পাঠটি পঢ়োৱাৰ সময়ত শিক্ষক-শিক্ষয়িত্ৰীয়ে যুক্তাক্ষৰ ব্যৱহাৰ হোৱা শব্দবোৰ শুদ্ধ উচ্চাৰণত ধীৰ গতিত কেইবাবাৰো পঢ়ি যাব আৰু শিশুহঁতে পাছে পাছে আওৰাই থাকিব। ছাত্ৰ-ছাত্ৰীয়ে বাৰে বাৰে পঢ়া আৰু লেখাৰ মাধ্যমেৰে শব্দৰ বানানবোৰ আয়ত্ব কৰাৰ ওপৰত গুৰুত্ব দিব।

০ ০ ০

# পাঠ ঃ সাত

# ভিন ভিন বৰ্ণৰ লগত 'স' যোগ

## (১)

স + ত = স্ত (সয় তয় স্ত) যেনে ঃ অস্ত, ব্যস্ত, ন্যস্ত, বস্তা, সস্তা
স + ক = স্ক (সয় কয় স্ক) যেনে ঃ পুৰস্কাৰ, নমস্কাৰ
স + প = স্প (সয় পয় স্প) যেনে ঃ স্পৰ্শ, স্পিৰিট, স্পষ্ট
স + ফ = স্ফ (সয় ফয় স্ফ) যেনে ঃ স্ফটিক
স + ন = স্ন (সয় নয় স্ন ) যেনে ঃ স্নেহ, স্নান, স্নায়ু, স্নানাগাৰ
স + থ = স্থ (সয় থয় স্থ) যেনে ঃ অস্থি, উপস্থিত, স্থিতি, স্থান
স + ৱ = স্ব (সয় বয় স্ব) যেনে ঃ স্বৰ্গ, স্বকীয়, সৰস্বতী, স্বৰবৰ্ণ

## (২)

স + ফ + উ = স্ফু (সয় ফয় উয় স্ফু )যেনে ঃ স্ফুলিংগ
স + ক + উ = স্কু (সয় কয় উয় স্কু) যেনে ঃ স্কুল
স + ত + উ = স্তু , স্তু (সয় তয় উয় স্তু , স্তু ) যেনে ঃ বস্তু , কস্তুৰী
স + ফ + ঊ = স্ফূ (সয় ফয় ঊয় স্ফূ) যেনে ঃ স্ফূৰ্তি
স + ত + ৰ = স্ত্ৰ (সয় তয় ৰয় স্ত্ৰ) যেনে ঃ নিৰস্ত্ৰ, শাস্ত্ৰ, অস্ত্ৰ, বস্ত্ৰ
স + প + ঋ = স্পৃ (সয় পয় ঋয় স্পৃ ) যেনে ঃ স্পৃহা, নিস্পৃহ



ৰাকেশ এজন ভাল ল'ৰা। তেওঁ লিখা-পঢ়াত ব্যস্ত থাকে। তেওঁ ধৰ্মীয় শাস্ত্ৰও অধ্যয়ন কৰি ভাল পায়। তেওঁ নিয়মিত শ্ৰেণীত উপস্থিত থাকে। শ্ৰেণীত তেওঁৰ স্থান সকলোৰে ওপৰত। যোৱা বছৰ তেওঁ তৰ্ক প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰিছিল। তেওঁ আচাৰ ব্যৱহাৰ তো ভাল। খেলা-ধূলাৰ প্ৰতি তেওঁৰ স্পৃহা কম। তেওঁ স্বকীয় প্ৰতিভাৰে ভাস্বৰ। স্কুলৰ সকলো অনুষ্ঠানতে তেওঁৰ উপস্থিতি সকলোৰে কামনা কৰে। তেওঁৰ মাক শ্ৰীমতী স্নেহদেৱী স্ফটিক উদ্দ্যোগত কাম কৰে।

হিন্দু শাস্ত্ৰমতে সৰস্বতী হৈছে বিদ্যাদেৱী।
জুইক অগ্নি বোলে। অগ্নিৰ পৰা স্ফুলিংগ ওলায়।
কস্তুৰী এবিধ অতি সুগন্ধি দ্ৰব্য।
ই হৰিণৰ নাভিত উৎপন্ন হয়।

শীত আৰু তাপৰ পৰা ৰক্ষা পাবলৈ মানুহে বস্ত্ৰ উদ্ভাৱন কৰিছিল।
যুদ্ধত বহুতো অস্ত্ৰ-শস্ত্ৰৰ প্ৰয়োজন হয়।
মহাবীৰ আলেকজেণ্ডাৰ এজন ভাল যোদ্ধা আছিল।
তেওঁ মেচেডনীয়াৰ ৰজা ফিলিপৰ পুত্ৰ আছিল।
তেওঁ পৃথিৱীৰ বহুতো দেশ জয় কৰিছিল।

# অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### ব্যাকৰণঃ

প্ৰথম শ্ৰেণীত বিশেষণ পদৰ বিষয়ে পঢ়ি আহিছা। এতিয়া আকৌ মনত পেলোৱা যে যি পদে কোনো বস্তু বা প্ৰাণীৰ সংখ্যা, গুণ, দোষ, অৱস্থা, পৰিমাণ আদি বুজায়, তাকে **বিশেষণ** বোলে। কিছুমান বিশেষণ পদ হ'ল ঃ *এটা, দুটা, বগা, সেউজীয়া, দুষ্ট, ভাল, ক্ষীণ, পাতল, বহুত, যথেষ্ঠ, সাধু, কৃপণ, দয়ালু* ইত্যাদি।

### শব্দ অৰ্থ ঃ

**শাস্ত্ৰ** ঃ কোনো বিষয়ৰ ওপৰত লিখা তাত্ত্বিক কিতাপ।
**পুৰস্কাৰ** ঃ বঁটা।
**ব্যস্ত** ঃ কোনো কামত নিয়োজিত থকা।
**স্পষ্টবাদী** ঃ সৰল, কোনো লুক-ঢাক নৰখাকৈ কথা কোৱা ব্যক্তি।
**স্বকীয়** ঃ নিজা।
**ভাস্বৰ** ঃ উজ্জ্বল, পোহৰময়।
**স্ফটিক** ঃ কাঁচ।
**উদ্দ্যোগ** ঃ কোনো বস্তু উৎপাদন কৰা কাৰখানা।
**স্ফুলিংগ** ঃ জুইৰ শিখা।

### একাৰ্থক শব্দঃ

স্ফটিক ঃ কাঁচ।
জুই ঃ অগ্নি।
বস্ত্ৰ ঃ কাপোৰ।
অস্থি ঃ হাড়।
স্নেহ ঃ মৰম।
সস্তা ঃ সুলভ।

স্বৰ্গ ঃ বেহেস্ত, অমৰাৱতী।
স্থান ঃ ঠাই।

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। খালী ঠাই পূৰণ কৰা।

(ক) ৰাকেশ এজন ...................... ল'ৰা।
(খ) খেলা-ধূলাৰ প্ৰতি তেওঁৰ ................. কম।
(গ) শ্ৰীমতী স্নেহদেৱী ................. উদ্দ্যোগত কাম কৰে।
(ঘ) অগ্নিৰ পৰা .................... ওলায়।
(ঙ) কস্তুৰী এবিধ ....................... দ্ৰব্য।

২। উত্তৰ দিয়া।

(ক) ৰাকেশ কি কামত ব্যস্ত থাকে?
(খ) শ্ৰীমতী স্নেহদেৱী কোন?
(গ) কস্তুৰী ক'ত উৎপন্ন হয়?
(ঘ) মানুহে কিয় বস্ত্ৰ উদ্ভাৱন কৰিছিল?
(ঙ) আলেকজেণ্ডাৰ কোন আছিল?

৪। 'স্তু' ব্যৱহাৰ কৰি তিনিটা শব্দ আৰু 'স্ত্ৰ' ব্যৱহাৰ কৰি তিনিটা শব্দ লিখা।

৫। বানান কৰি পঢ়া।

স্ফূৰ্তি নিস্পৃহ স্বকীয় ন্যস্ত স্থিতি স্নানাগাৰ

৬। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো-একোটা বাক্য সাজাঁ।

প্ৰতিভা উপস্থিত যোদ্ধা খেলা-ধূলা শাস্ত্ৰ

৮। তিনিশাৰী হাতৰ আখৰ লিখা।

# অগ্নিৰ পৰা স্ফূলিংগ ওলায়।

## গ . প্ৰকল্প

ভাবা আৰু উত্তৰ দিয়া ঃ

*যি দিয়া তাকে খায়*
*পানী দিলে মৰি যায়।*

## ঘ . প্ৰেৰণাদায়ক বক্তব্য

**ছাফ-চিকুণ হৈ থকাৰ উপকাৰিতা** সম্পৰ্কে শিক্ষকে এক প্ৰেৰণাদায়ক বক্তব্য আগবঢ়াব যাতে ছাত্ৰ-ছাত্ৰীয়ে ছাফ-চিকুণ (পৰিপাটি) হৈ থকাৰ বাবে আগ্ৰহী হয়।

সংকেত ঃ

*ছাফ-চিকুণ হৈ থাকিলে সৌন্দৰ্য বৃদ্ধি পায়।*
*ছাফ-চিকুণতাই ৰোগৰ বীজানুৰ আক্ৰমণৰ পৰা শৰীৰক ৰক্ষা কৰে।*
*ছাফ-চিকুণ হৈ থাকিলে মন প্ৰফুল্ল থাকে।*
*ছাফ-চিকুণ হৈ থকা ল'ৰা-ছোৱালীক সকলোৱে ভাল পায় আৰু প্ৰশংসা কৰে।*
*ছাফ -চিকুণ হৈ থকা লোকসকলৰ কাম-কাজো পৰিপাটি আৰু সুন্দৰ হয়।*

**শিক্ষকলৈ টোকা ঃ** পাঠটি পঢ়োৱাৰ সময়ত শিক্ষক-শিক্ষয়িত্ৰীয়ে যুক্তাক্ষৰ ব্যৱহাৰ হোৱা শব্দবোৰ শুদ্ধ উচ্চাৰণত ধীৰ গতিত কেইবাবাৰো পঢ়ি যাব আৰু শিশুহঁতে পাছে পাছে আওৰাই থাকিব। ছাত্ৰ-ছাত্ৰীয়ে বাৰে বাৰে পঢ়া আৰু লিখাৰ মাধ্যমেৰে শব্দৰ বানানবোৰ আয়ত্ব কৰাৰ ওপৰত গুৰুত্ব দিব।

o o o

## পাঠ ঃ আঠ

# যেতিয়াৰ যিটো বন

যেতিয়াৰ যিটো বন কৰা তেতিয়াই
পাছলৈ নথবা পেলাই,
কৰিম কৰিম বুলি গহৰি কৰিলে
কৰিব কি পাৰে কোনোবাই?
আজি যি সুবিধা আছে কালি যাব পাৰে
কোনে জানে কি আপদ মিলে,
সময়ত নকৰিলে কাম পৰে পিছ
কেতিয়াবা নহয় সমূলে।
পল দণ্ড কৰি কাল বইছে নৰই
জীৱনৰ দিন যায় টুটি,
যেতিয়াৰ যিটো বন ধৰা ততালিকে
এলাহত নুখুজিবা ছুটি।
সময়ৰ লগে লগে কাম কৰি যোৱা
সকলোকে ঢিলা তুমি পাবা,
এলাহত নুবুলিবা নকৰো এতিয়া
নাম, যশ অৱশ্যে লভিবা।

--- হৰিনাৰায়ণ দত্ত বৰুৱা

*(কবিতাটি নৰকান্ত বৰুৱাই সম্পাদনা কৰা 'মৰুৱা ফুল' নামৰ কাব্য সংকলনখনৰ পৰা তুলি দিয়া হৈছে।)*

# অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### শব্দ অৰ্থ ঃ

**বন** ঃ কাম।
**গহৰি** ঃ এলাহ কৰি কাম পিছুৱাই থোৱা।
**আপদ** ঃ বিপদ।
**ঢিলা** ঃ এলেহুৱা, কাম পিছুৱাই থোৱা ব্যক্তি।
**যশ** ঃ যশস্যা।
**দণ্ড** ঃ এক মূহুৰ্ত (সময়ৰ অতি সুক্ষ্ম ভাগ)।

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। কবিতাটি মুখস্থ কৰা।
২। কবিতাটিৰ মূল কথাখিনি নিজৰ ভাষাত কোৱা আৰু লিখা।
৩। উত্তৰ দিয়া।
(ক) আমি কেতিয়া কোন কাম কৰিব লাগে?
(খ) কৰিম কৰিম বুলি গহৰি কৰি থাকিলে আমি কাম কৰিব পাৰিম নে?
(গ) আজি কাম কৰাৰ যি সুবিধা আছে কালি সেই সুবিধা পাম নে?
(ঘ) পল দণ্ড কৰি কি বৈ আছে?
(ঙ) আমি কেনেদৰে নাম যশ লভিব পাৰোঁ।
৪। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো-একোটা বাক্য সাজাঁ।
গহৰি আপদ ততালিকে ঢিলা যশ

**টোকাঃ** পদ্যটি পঢ়োৱাৰ সময়ত শিক্ষকে পদ্যটিৰ মূলকথাখিনি সহজ-সৰল ভাষাত বুজাই দিয়াৰ উপৰিও **সময়ৰ কাম সময়ত কৰাৰ উপকাৰিতা আৰু তাৎপৰ্য** সম্পৰ্কে এক প্ৰেৰণাদায়ক বক্তব্য আগবঢ়াব যাতে ল'ৰা-ছোৱালীয়ে সময়ৰ কাম সময়ত কৰাৰ বাবে উৎসাহিত হয়।

## গোট-৩

### পাঠ ঃ ন

# ভিন ভিন বৰ্ণৰ লগত 'ধ' যোগ

| | | |
|---|---|---|
| ন + ধ = ন্ধ | *(নয় ধয় ন্ধ)* | *যেনে ঃ বন্ধ, অন্ধ, গোন্ধ, পোন্ধৰ* |
| গ + ধ = গ্ধ | *(গয় ধয় গ্ধ)* | *যেনে ঃ মুগ্ধ, দুগ্ধ, বিমুগ্ধ* |
| দ + ধ = দ্ধ | *(দয় ধয় দ্ধ )* | *যেনে ঃ যুদ্ধ, বুদ্ধ, শুদ্ধ, শ্ৰদ্ধা, বুদ্ধি* |
| ব + ধ = ব্ধ | *(বয় ধয় ব্ধ)* | *যেনে ঃ লব্ধ, প্ৰলুব্ধ, ক্ষুব্ধ* |

দেওবাৰে অফিচ-আদালত বন্ধ থাকে।

অন্ধলোকৰ বাবে বিশেষ বিদ্যালয় আছে।

গোলাপ ফুলৰ গোন্ধ ভাল।

পোন্ধৰ দিনত এক পক্ষ হয়।

ৰকিবৰ ব্যৱহাৰত সকলোৰে মুগ্ধ।

গুৱাহাটীত দুগ্ধ পাম আছে।

আমি সদায় বিশুদ্ধ পানী পান কৰিব লাগে।

যুদ্ধত ধন-জন খৰচ হয়।

গৌতম বুদ্ধ বৌদ্ধ ধৰ্মৰ প্ৰৱৰ্তক।

আমি শুদ্ধকৈ লিখিব লাগে।

ধৰ্মপৰায়ণ লোকক সকলোৱে শ্ৰদ্ধা কৰে।

বুদ্ধিমানলোকে সময়ৰ কাম সময়মতে কৰে।

অহংকাৰে লব্ধ প্ৰতিষ্ঠ লোকৰ সন্মান হানি কৰে।

আমি বেয়া অভ্যাসৰ প্ৰতি প্ৰলুব্ধ হ'ব নালাগে।

বেয়া আচৰণে ভাল মানুহকো ক্ষুব্ধ কৰে।

# অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### ব্যাকৰণঃ

প্ৰথম শ্ৰেণীত ক্ৰিয়া বিশেষণ পদৰ বিষয়ে ধাৰণা পাই আহিছা। এতিয়া আকৌ মনত পেলোৱা যে যি পদে কোনো ক্ৰিয়া (কাম) ৰ ধৰণ, গুণ বা অৱস্থা প্ৰকাশ কৰে, তাকে **ক্ৰিয়া বিশেষণ** বোলে। যেনেঃ *ভালকৈ, শুদ্ধকৈ, বেগাই, লাহে লাহে, জোৰে জোৰে* ইত্যাদি।

### শব্দ অৰ্থ ঃ

**পক্ষ** ঃ কাল (চন্দ্ৰ মাহৰ হিচাপ মতে পোন্ধৰ দিনত এক পক্ষ হয়)।
**মুগ্ধ** ঃ মোহিত।
**বিশুদ্ধ** ঃ পৰিশোধিত।
**লব্ধ** ঃ নতুনকৈ লাভ কৰা।
**প্ৰলুব্ধ** ঃ প্ৰলোভিত।
**ক্ষুব্ধ** ঃ অতিপাত খং, বিতুষ্ট।

### একাৰ্থক শব্দঃ

দুগ্ধ ঃ গাখীৰ।
ব্যৱহাৰ ঃ আচৰণ।
হানি ঃ ক্ষতি।

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। শুদ্ধনে অশুদ্ধ কোঁৱা।

(ক) দেওবাৰে অফিচ-আদালত খোলা থাকে।
(খ) গোলাপ ফুলৰ গোন্ধ বেয়া।
(গ) পোন্ধৰ দিনত এক পক্ষ হয়।

(ঘ) বৰপেটাত দুগ্ধ পাম আছে।

(ঙ) বেয়া অভ্যাসৰ প্ৰতি প্ৰলুব্ধ হ'ব নালাগে।

২। উত্তৰ দিয়া।

(ক) কিমান দিনত এক পক্ষ হয়?

(খ) আমি কেনেকুৱা পানী পান কৰিব লাগে?

(গ) ক'ত দুগ্ধ পাম আছে?

(ঘ) অহংকাৰে লোকৰ কি কৰে?

(ঙ) আমি কিহৰ প্ৰতি প্ৰলুব্ধ হ'ব নালাগে?

৪। 'দ্ধ' ব্যৱহাৰ কৰি তিনিটা শব্দ আৰু 'ন্ধ' ব্যৱহাৰ কৰি তিনিটা শব্দ লিখা।

৫। বানান কৰি পঢ়া।

আবদ্ধ ৰুদ্ধ দুৰ্গন্ধ ৰন্ধা বন্ধা অৱৰুদ্ধ

৬। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো-একোটা বাক্য সাজাঁ।

ধন-জন সন্মান প্ৰতিষ্ঠা বিমুগ্ধ অভ্যাস

৮। তিনিশাৰী হাতৰ আখৰ লিখা।

# পোন্ধৰ দিনত এক পক্ষ হয়।

## গ. প্ৰকল্প

তুমি তোমাৰ বয়োজেষ্ঠজনৰ পৰা বা শিক্ষকৰ পৰা তলত দিয়া কথাবোৰ জানি খালী ঠাইবোৰ পূৰণ কৰা।

(ক) *সভাত বক্তৃতা দিয়া লোকক ......................... বোলে।*

*(খ) ৰোগীক চিকিৎসা কৰা ঠাইক ....................... বোলে।*

*(গ) গৰু গাড়ী চলোৱা লোকক .................... বোলে।*

*(ঘ) ছাত্ৰ-ছাত্ৰীয়ে লিখা-পঢ়া শিকা ঠাইক ...................... বোলে।*

*(ঙ) গান গোৱা লোকক ....................... বোলে।*

**শিক্ষকলৈ টোকা ঃ** পাঠটি পঢ়োৱাৰ সময়ত শিক্ষক-শিক্ষয়িত্ৰীয়ে যুক্তাক্ষৰ ব্যৱহাৰ হোৱা শব্দবোৰ শুদ্ধ উচ্চাৰণত ধীৰ গতিত কেইবাবাৰো পঢ়ি যাব আৰু শিশুহঁতে পাছে পাছে আওৰাই থাকিব। ছাত্ৰ-ছাত্ৰীয়ে বাৰে বাৰে পঢ়া আৰু লিখাৰ মাধ্যমেৰে শব্দৰ বানানবোৰ আয়ত্ব কৰাৰ ওপৰত গুৰুত্ব দিব। ০ ০ ০

## পাঠ ঃ দহ

# ভিন ভিন বৰ্ণৰ লগত 'ঞ' যোগ

ঞ + জ = ঞ্জ (ঞওয় জয় ঞ্জ) যেনে ঃ কুঞ্জ, পুঞ্জ, বুৰঞ্জী, পাঞ্জা, আঞ্জা
ঞ + চ = ঞ্চ (ঞওয় চয় ঞ্চ) যেনে ঃ চঞ্চল, অঞ্চল, পঞ্চ
ঞ + ছ = ঞ্ছ (ঞওয় ছয় ঞ্ছ) যেনে ঃ বাঞ্ছা, বাঞ্ছনীয়,
জ + ঞ = জ্ঞ (জয় ঞওয় জ্ঞ) যেনে ঃ অজ্ঞ, প্ৰজ্ঞা, বিজ্ঞ, বিজ্ঞান

'বুৰঞ্জী' মানে নজনা কথা জনোৱাৰ ভঁৰাল।
বুৰঞ্জীত অতীতত ঘটি যোৱা ঘটনাৰ বৰ্ণনা পাওঁ।
'কুঞ্জ' মানে বাগিছা। কুঞ্জক উপবন বুলিও কোৱা হয়।
ভাত খাবলৈ আঞ্জা লাগে।
আঞ্জা খাবলৈ ব্যৱহাৰ কৰা কলপুলিক 'পচলা' বোলে।

আন্দামান দ্বীপপুঞ্জ ভাৰত মাহাসাগৰত অৱস্থিত ।
ই ভাৰতৰ এখন অঙ্গৰাজ্য।
আন্দামান দ্বীপপুঞ্জত নাৰিকল গছ উভৈনদীকৈ হয়। ইয়াৰ লোকসকলে আঞ্জাত নাৰিকলৰ তেল ব্যৱহাৰ কৰে।

অসম ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ অংশ।
ভৌগোলিকভাৱে অসমক কেইবাটাও অঞ্চলত ভাগ কৰা হৈছে।
পঞ্চপাণ্ডৱে বনবাস খাটি থকা কালছোৱাত ভাৰতৰ পূৰ্বাঞ্চললৈ আহিছিল।
কোনো মানুহেই বিপদ-আপদ বাঞ্ছা নকৰে। প্ৰজ্ঞা মানে জ্ঞান।
অজ্ঞ লোকে বিজ্ঞান পঢ়ি বিজ্ঞ হ'ব পাৰে।

# অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### ব্যাকৰণঃ

প্ৰথম শ্ৰেণীত সংযোজক অব্যয় পদৰ বিষয়ে ধাৰণা পাই আহিছা। আকৌ মনত পেলোৱা যে যি পদে দুটা বা তাতকৈ বেছি পদ বা বাক্যক সংযোগ কৰে, তাকে **সংযোজক অব্যয়** বোলে। কিছুমান সংযোজক অব্যয় হ'ল ঃ *আৰু, কিন্তু, অথবা, বা, যদিও, কাৰণে, কাৰণ, তথাপি, যদ্যপি* ইত্যাদি।।

### শব্দ অৰ্থ ঃ

**বুৰঞ্জী** ঃ নজনা কথা জনোৱাৰ ভঁৰাল।
**কুঞ্জ** ঃ বাগিছা।
**দ্বীপপুঞ্জ** ঃ কেইবাটাও দ্বীপৰ সমষ্টি। (দ্বীপ হ'ল চাৰিওফালে পানীৰে আগুৰা ভূ-ভাগ)।
**বাঞ্ছা** ঃ পাবলৈ হাবিয়াস কৰা।
**বিজ্ঞান** ঃ পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা লাভ কৰা জ্ঞান।

### একাৰ্থক শব্দঃ

কুঞ্জ ঃ বাগিছা।
অঞ্চল ঃ মণ্ডল।
প্ৰজ্ঞা ঃ জ্ঞান।
বিজ্ঞ ঃ জ্ঞানী।

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। খালী ঠাই পূৰণ কৰা।

(ক) .................... ত অতীতত ঘটি যোৱা ঘটনাৰ বৰ্ণনা পাওঁ।
(খ) ভাত খাবলৈ ........... লাগে।

(গ) আন্দামান দ্বীপপুঞ্জ .................... মহাসাগৰত অৱস্থিত।

(ঘ) অসম ভাৰতৰ ........................ অংশ।

(ঙ) অজ্ঞলোকে বিজ্ঞান পঢ়ি .................... হ'ব পাৰে।

২। উত্তৰ দিয়া।

(ক) বুৰঞ্জী মানে কি?

(খ) 'কুঞ্জবন'ক কি বুলি কোৱা হয়?

(গ) 'পচলা' কাক কয়?

(ঘ) আন্দামান দ্বীপপুঞ্জত কি গছ উৎভৈনদীকৈ হয়?

(ঙ) বিজ্ঞান মানে কি।

৪। 'ঞ্চ' ব্যৱহাৰ কৰি তিনিটা শব্দ আৰু 'ঞ্জ' ব্যৱহাৰ কৰি তিনিটা শব্দ লিখা।

৫। বানান কৰি পঢ়া।

চঞ্চল পাঞ্জা বাঞ্ছনীয় পুঞ্জ বিজ্ঞ

৬। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো-একোটা বাক্য সাজাঁ।

বিপদ-আপদ অঞ্চল উৎভৈনদী প্ৰজ্ঞা অঙ্গৰাজ্য

৮। তিনিশাৰী হাতৰ আখৰ লিখা।

# কুঞ্জবন মানে বাগিছা।

## গ. প্ৰকল্প

তোমাৰ ঘৰত ফুলৰ বাগিছা আছে নে? যদি নাই তেন্তে তোমাৰ গাওঁৰ যিকোনো এঘৰৰ ফুলৰ বাগিছা দৰ্শন কৰি তাত কি কি ফুলৰ গছ দেখিলা তাৰ এটি তালিকা প্ৰস্তুত কৰি তোমাৰ শিক্ষকক দেখুওৱা।

**শিক্ষকলৈ টোকা ঃ** পাঠটি পঢ়োৱাৰ সময়ত শিক্ষক-শিক্ষয়িত্ৰীয়ে যুক্তাক্ষৰ ব্যৱহাৰ হোৱা শব্দবোৰ শুদ্ধ উচ্চাৰণত ধীৰ গতিত কেইবাবাৰো পঢ়ি যাব আৰু শিশুহঁতে পাছে পাছে আওৰাই থাকিব। ছাত্ৰ-ছাত্ৰীয়ে বাৰে বাৰে পঢ়া আৰু লিখাৰ মাধ্যমেৰে শব্দৰ বানানবোৰ আয়ত্ব কৰাৰ ওপৰত গুৰুত্ব দিব। ০ ০ ০

# পাঠ ঃ এঘাৰ

# ভিন ভিন বৰ্ণৰ লগত 'ষ' যোগ

ষ + ট = ষ্ট (যয় টয় ষ্ট) যেনে ঃ কষ্ট, অষ্টম, নষ্ট, ভ্ৰষ্ট, হৃষ্ট, পুষ্ট
ষ + ঠ = ষ্ঠ (যয় ঠয় ষ্ঠ) যেনে ঃ ষষ্ঠ, ঔষ্ঠ, পৃষ্ঠ, মুষ্ঠি,
ষ + ণ = ষ্ণ (যয় ণয় ষ্ণ) যেনে ঃ কৃষ্ণ, বিষ্ণু, সহিষ্ণু, তৃষ্ণা
ষ + ক = ষ্ক (যয় কয় ষ্ক) যেনে ঃ কনিষ্ক, আৱিষ্কাৰ
ষ + প = ষ্প (যয় পয় ষ্প) যেনে ঃ পুষ্প, বাষ্প
ষ + ট + ৰ = ষ্ট্ৰ (যয় টয় ৰয় ষ্ট্ৰ) যেনে ঃ ৰাষ্ট্ৰ, ৰাষ্ট্ৰপতি

ৰাজেশ ষষ্ঠ শ্ৰেণীত পঢ়ে। তেওঁৰ বিদ্যালয়খন ঘৰৰ পৰা তিনি কিলোমিটাৰ দূৰত অৱস্থিত। তেওঁ প্ৰতিদিন খোজকাঢ়ি স্কুললৈ যায়। তেওঁ অতি কষ্টসহিষ্ণু। যোৱাকালি বিদ্যালয়লৈ যোৱাৰ সময়ত তেওঁ এজন বাটৰুৱাক লগ পাইছিল। বাটৰুৱাজনে সুধিলে, "তোমালোকৰ বিদ্যালয়ত শ্ৰীকৃষ্ণৰ জন্মাষ্টমী পালন কৰা নে?"

"হয়, আমি প্ৰতি বছৰেই জন্মাষ্টমী পালন কৰোঁ," ৰাজেশে ক'লে।

"শ্ৰীকৃষ্ণৰ বিষয়ে তুমি পাঁচোটামান বাক্য ক'ব পাৰিবানে?" বাটৰুৱাজনে সুধিলে।

"হয়। হিন্দু শাস্ত্ৰমতে শ্ৰীকৃষ্ণ বিষ্ণুৰ এক অৱতাৰ। অৱতাৰ মানে মানৱ ৰূপত ভগৱানৰ আবিৰ্ভাৱ। তেওঁ উত্তৰ ভাৰতৰ দ্বাৰকাত জন্ম গ্ৰহণ কৰিছিল। তেওঁৰ মাকৰ নাম আছিল যশোদা আৰু পিতৃৰ নাম আছিল নন্দ। তেওঁৰ জন্মদিনত জন্মাষ্টমী পালন কৰা হয়। তেওঁ দুষ্টক দমন আৰু সন্তক পালন কৰিছিল।"

"ধন্যবাদ। কনিষ্কৰ বিষয়ে জানানে?"

'নাজানো', ৰাজেশে ক'লে।

বাটৰুৱাজনে ক'লে, "তেন্তে শুনা — কনিষ্ক প্ৰাচীন ভাৰতৰ এজন প্ৰতাপী ৰজা আছিল। তেওঁ সিংহাসনত উঠাৰ দিনৰ পৰা শকাব্দ নামেৰে এক নতুন চন গণনা কৰা হয়। তেওঁ এজন ধৰ্মপৰায়ণ ৰজা আছিল। বৌদ্ধধৰ্মৰ বিকাশৰ বাবে তেওঁ চেষ্টা কৰিছিল। তেওঁৰ দিনত ৰাজগৃহত বৌদ্ধ মহামেল হৈছিল।"

বাটৰুৱাজনে ৰাজেশক সুধিলে, "তুমি এ, পি, জে, আব্দুল কালামৰ বিষয়ে পাঁচোটামান বাক্য ক'ব পাৰিবানে?"

"হয়। এ, পি, জে, আব্দুল কালাম এজন বিখ্যাত বৈজ্ঞানিক আছিল। তেওঁৰ সম্পূৰ্ণ নাম আবুল পাকিৰ জয়নাল আবেদিন আব্দুল কালাম। তেওঁ ভাৰতৰ প্ৰতিৰক্ষাৰ বাবে আধুনিক মিছাইল আৱিষ্কাৰ কৰিছিল। তেওঁক মিছাইলমেন বুলিও কোৱা হয়। তেওঁ ভাৰতৰ ত্ৰয়োদশ ৰাষ্ট্ৰপতি হৈছিল।

## অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### ব্যাকৰণঃ

তলৰ উক্তি দুটা মন কৰা।

বিদ্যালয়লৈ যোৱাৰ সময়ত ৰাজেশে বাটেৰে গৈ থকা এজন লোকক লগ পাইছিল।

বিদ্যালয়লৈ যোৱাৰ সময়ত ৰাজেশে এজন বাটৰুৱাক লগ পাইছিল।

ওপৰৰ প্ৰথম বাক্যত ব্যৱহাৰ হোৱা 'বাটেৰে গৈ থকা এজন লোক' শব্দ সমষ্টিৰ পৰিৱৰ্তে দ্বিতীয় বাক্যটিত মাথো এটা শব্দ 'বাটৰুৱা' ব্যৱহাৰ কৰা হৈছে। এনেদৰে কিছুমান শব্দ সমষ্টি বা বাক্য এটিক সংক্ষেপ কৰি এটা শব্দত প্ৰকাশ কৰাকে **বাক সংহতি বা বাক্য সংক্ষেপকৰণ** বোলে।

তলত দিয়া উদাহৰণবোৰ মনত ৰখা ঃ

যি নিজে নিজে হয় ঃ স্বয়ম্ভু।
যি কল্পনাৰ অতীত ঃ কল্পনাতীত।
যিজনে কবিতা ৰচনা কৰে ঃ কবি।
জুই ধৰি ৰখা যি ঠাই ঃ জুহাল।
ঠেং নোহোৱা ভেকুলী পোৱালি ঃ লালুকী।

## শব্দ অৰ্থ ঃ

**কষ্টসহিষ্ণু** ঃ কষ্ট সহিব পৰা।
**অৱতাৰ** ঃ মানৱ ৰূপত ভগৱানৰ আবিৰ্ভাৱ।
**আবিৰ্ভাৱ** ঃ দৃশ্যমান হোৱা, দেখা দিয়া।
**মহামেল** ঃ ডাঙৰ মেল।

## একাৰ্থক শব্দঃ

বিদ্যালয় ঃ পঢ়াশালি।
বাট ঃ পথ, ৰাস্তা।
ভগৱান ঃ ঈশ্বৰ।
পিতৃ ঃ দেউতা।
মাতৃ ঃ মাক।
প্ৰতাপী ঃ শক্তিশালী।
ৰজা ঃ সম্ৰাট।

# খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। শুদ্ধ নে অশুদ্ধ কোঁৱা।
(ক) ৰাজেশ সপ্তম শ্ৰেনীত পঢ়ে।
(খ) ৰাজেশৰ স্কুল ঘৰৰ পৰা তিনি কিলোমিটাৰ দূৰত অৱস্থিত।
(গ) শ্ৰীকৃষ্ণ বিষ্ণুৰ এক অৱতাৰ আছিল।
(ঘ) শ্ৰীকৃষ্ণ মথুৰাত জন্ম গ্ৰহণ কৰিছিল।
(ঙ) শ্ৰীকৃষ্ণই দুষ্টক দমন আৰু সন্তক পালন কৰিছিল।

২। উত্তৰ দিয়া।

(ক) শ্ৰীকৃষ্ণই ক'ত জন্ম গ্ৰহণ কৰিছিল ?

(খ) শ্ৰীকৃষ্ণৰ পিতৃ আৰু মাতৃৰ নাম কি আছিল ?

(গ) 'জন্মাষ্টমী' কি ?

(ঘ) কনিষ্ক কোন আছিল ?

(ঙ) এ. পি. জে. আব্দুল কালামৰ সম্পূৰ্ন নাম কি ?

৪। 'ষ্ট্ৰ' ব্যৱহাৰ কৰি তিনিটা শব্দ আৰু 'ষ্ণ' ব্যৱহাৰ কৰি তিনিটা শব্দ লিখা।

৫। বানান কৰি পঢ়া।

পুষ্ট বাষ্প আৱিষ্কাৰ ঔষ্ঠ্য মুষ্ঠি

৬। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো-একোটা বাক্য সাজাঁ।

মহামেল প্ৰতাপী সিংহাসন বিখ্যাত বৈজ্ঞানিক

৮। তিনিশাৰী হাতৰ আখৰ লিখা।

# আমাৰ দেশৰ নাম ভাৰতবৰ্ষ।


## গ . প্ৰকল্প

বৰ্তমানলৈ ভাৰতৰ ৰাষ্ট্ৰপতিৰ পদ দখল কৰা ব্যক্তিকেইজনৰ নাম সংগ্ৰহ কৰি এখন তালিকা প্ৰস্তুত কৰা।

**শিক্ষকলৈ টোকা ঃ** পাঠটি পঢ়োৱাৰ সময়ত শিক্ষক-শিক্ষয়িত্ৰীয়ে যুক্তাক্ষৰ ব্যৱহাৰ হোৱা শব্দবোৰ শুদ্ধ উচ্চাৰণত ধীৰ গতিত কেইবাবাৰো পঢ়ি যাব আৰু শিশুহঁতে পাছে পাছে আওৰাই থাকিব। ছাত্ৰ-ছাত্ৰীয়ে বাৰে বাৰে পঢ়া আৰু লিখাৰ মাধ্যমেৰে শব্দৰ বানানবোৰ আয়ত্ব কৰাৰ ওপৰত গুৰুত্ব দিব। ○ ○ ○

# পাঠ ঃ বাৰ

# কুকুৰ আৰু মঙহ



এদিনাখন এটা ধেকুৰা কুকুৰে
মুখত মঙহ লৈ,
দিছিল সাঁতোৰ নদীৰ বুকুত
পাৰ হৈ যাবলৈ।
দেখিলে এনেতে পানীৰ তলত
আপোন ছায়াটি গাৰ,
ভাবিলে মনত কোনোবা গিয়াতি
আহিছে লগত তাৰ।
কুকুৰৰ বৈৰী কুকুৰ সদায়
আটায়ে ই কথা জানে,
দেখিলে তাতেই মঙহ আকৌ
কোনে আৰু তাক মানে।
কাঢ়ি লৈ তাকো নিজেই সামৰো
মনত কৰিলে সাৰ,
ভেউ ভেউ কৰি মুখ মেলোঁতেই
সৰিল মঙহ তাৰ।
যুঁজিব নাপাই মঙহ হেৰাই
ঘূৰিল ধেকুৰা কাই,
উপায় নেদেখি কোৱাৰি চেলেকি
কৰে নিজে হায় হায়।

*--বিষয় চন্দ্ৰ বিশ্বাসী*

# অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### শব্দ অৰ্থ ঃ

**ধেকুৰা** ঃ মতা কুকুৰ।
**ছায়া** ঃ ছাঁ।
**গিয়াতি** ঃ জ্ঞাতি, নিজ জাতি বা বংশৰ কোনোবা।
**বৈৰী** ঃ শত্ৰু।
**ভেউ ভেউ** ঃ কুকুৰৰ মাত।
**কোৰাৰি** ঃ মুখৰ চুক (তল আৰু ওপৰ ওঁঠৰ জোৰা)।

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। কবিতাটি মুখস্থ কৰা।
২। কবিতাটিৰ মূল কথাখিনি নিজৰ ভাষাত কোৱা আৰু লিখা।
৩। উত্তৰ দিয়া।
(ক) এদিনাখন ধেকুৰা কুকুৰে কি কৰিছিল ?
(খ) পানীৰ তলত নিজৰ ছাঁটো দেখি কুকুৰটোৱে কি কৰিছিল ?
(গ) কুকুৰৰ বৈৰী কি ?
(ঘ) কুকুৰটোৱে ভেউ ভেউ কৰি মুখ মেলোঁতে কি হ'ল ?
(ঙ) উপায় নেদেখি অৱশেষত কুকুৰটোৱে কি কৰিলে ?
৪। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো-একোটা বাক্য সাজাঁ।

ধেকুৰা গিয়াতি বৈৰী ভেউ ভেউ কোৰাৰি


*(কবিতাটি নৰকান্ত বৰুৱাই সম্পাদনা কৰা 'মৰুৱা ফুল' নামৰ কাব্য সংকলনখনৰ পৰা তুলি দিয়া হৈছে।)*

০ ০ ০

<u>গোট-৪</u>

## পাঠ ঃ তেৰ

# ভেকুলী আৰু নিগনি



এসময়ত কলং নদীৰ দুয়োপাৰ জোপোহা বনেৰে পৰিপূৰ্ণ আছিল। সেই জোপোহা বনত বহুতো প্ৰাণীয়ে বাস কৰিছিল। তাৰ ভিতৰত বাঘ, সিংহ, হাতী, ঘোঁৰা, হৰিণ আৰু অন্যান্য জীৱ-জন্তুও আছিল। জীৱ-জন্তুবোৰে পৰস্পৰে পৰস্পৰৰ লগত সদ ভাৱেৰে জীৱন যাপন কৰিছিল। তাত বহুতো ভেকুলী আৰু নিগনিও আছিল। এবাৰ এটি ভেকুলী আৰু এটি নিগনিৰ মাজত নলে-গলে লগা বন্ধুত্ব হ'ল। সিহঁতে দিনৰ বেছিভাগ সময় একেলগে কটাইছিল। খেলা-ধূলাও একেলগে কৰিছিল। নিগনিটো অতি সৰল আছিল। আনহাতে ভেকুলীটো আছিল অতি দুষ্ট আৰু টেঙৰ ।

এদিন ভেকুলীটোৰ মনত দুষ্ট বুদ্ধিৰ উদয় হ'ল। সি নিগনিটোক ক'লে ঃ "বন্ধু, আজি আমি দুয়ো নতুন ধৰণৰ খেল খেলিম।" এই বুলি সি নিজৰ ঠেঙৰ লগত নিগনিটোৰ ঠেং বান্ধি পানীত জাঁপ দিলে। ভেকুলীটোৰ এনে কাৰ্য দেখি নিগনিটো বিমোৰত পৰিল। ভেকুলীটোৱে অনায়াসে পানীত সাঁতুৰিবলৈ ধৰিলে যদিও নিগনিটোৱে ঢোকে ঢোকে পানী খাই মৃত্যু বৰণ কৰিলে।

কেইদিনমানৰ ভিতৰত নিগনিৰ মৃতদেহটো ফুলি উঠিল। তেতিয়াও নিগনিৰ দেহাটো ভেকুলীটোৰ ঠেঙত বন্ধা আছিল। লাহে লাহে নিগনিৰ দেহটো গধূৰ হৈ আহিব ধৰিলে। গাঁঠিটো ইমান টান হৈ পৰিল যে ভেকুলীটোৱে গাঁঠিটো কোনোপধ্যেই এৰাব নোৱাৰিলে। অৱশেষত মৃত নিগনিটো ফুলি ইমানেই গধূৰ হ'ল যে ভেকুলীটোৱে ইয়াৰ ওজন বহন কৰিব নোৱাৰি পানীত ডুবি গ'ল। পানীৰ তলত উশাহ-নিশাহ বন্ধ হৈ ভেকুলীটো মৰি থাকিল।

## অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### ব্যাকৰণঃ

তলৰ উক্তি দুটা মন কৰা।

*তাত এটি নিগনি বাস কৰিছিল।*

*সি অন্যান্য জন্তুবোৰৰ লগত একেলগে বাস কৰিছিল।*

ওপৰৰ প্ৰথম বাক্যটিত নিগনিৰ এটি সংখ্যা আৰু দ্বিতীয় বাক্যটিত জন্তুৰ বহুতো সংখ্যা বুজাইছে। প্ৰথম বাক্যটিত নিগনি বিশেষ্য পদটিৰ আগত 'এটি' সংখ্যাবোধক শব্দ আৰু দ্বিতীয় বাক্যটিত 'জন্তু' বিশেষ্য পদটিৰ লগত 'বোৰ' সংখ্যাবোধক শব্দটি যোগ হৈ সিহঁতৰ সংখ্যা নিৰ্দেশ কৰিছে। এনেদৰে পদৰ যি ৰূপৰ দ্বাৰা ব্যক্তি বা বস্তুৰ এক বা একাধিক বোধ জন্মে, তাকে অসমীয়াত **বচন** বোলে।

অসমীয়াত বচন দুবিধ। যেনে ঃ একবচন আৰু বহুবচন।

পদৰ যি ৰূপৰ দ্বাৰা বস্তু বা প্ৰাণীৰ এটা সংখ্যাৰ বোধ জন্মে তাক **এক বচন** বোলে। যেনে ঃ

মোৰ <u>এখন</u> কলম আছে।

আনহাতে পদৰ যি ৰূপৰ দ্বাৰা কোনো বস্তু বা প্ৰাণীৰ এটাতকৈ অধিক সংখ্যাৰ বোধ

জন্মে তাক **বহু বচন** বোলে। যেনে ঃ

গৰুবোৰে পথাৰত ঘাঁহ খাই আছে।

সাধাৰণতে বিশেষ্য বা সৰ্ব্বনামৰ লগত *জাক, দল, থোক, মখা, থুপি, পাল, পুঞ্জ, ৰাজি, মণ্ডলী, হতঁ, বোৰ, সকল, বৃন্দ, বৰ্গ, গণ,* আদি যোগ কৰি একবচনৰ পৰা বহু বচন কৰা হয়। উদাহৰণ ঃ

শিক্ষকমণ্ডলী যথাস্থানত বহি আছে।

ফুলথোপা দেখিবলৈ সুন্দৰ।

গৰুজাক দৌৰি আছে।

ভেড়াপাল বে বে কৰি আছে।

আন্দামান নিকোবৰ দীপপুঞ্জ ভাৰত মহাসাগৰত।

গ্ৰন্থৰাজি পঢ়িলানে ?

চৰাইবোৰ উৰি আছে।

কলবোৰ পকিছে।

হাঁহবোৰ চৰিছে।

নিগনিবোৰে উৎপাত কৰি আছে।

ল'ৰাবোৰে কাজিয়া কৰিছিল।

মানুহবিলাক গোট খাইছে।

গছবিলাক লঠঙা হৈ পৰিছে।

## শব্দ অৰ্থ ঃ

| | |
|---|---|
| **সদ্ভাৱ** | ঃ মিলা-প্ৰীতি। |
| **নলে-গলে লগা** | ঃ অন্তৰংগ। |
| **বিমোৰত পৰা** | ঃ কি কৰিব কি নকৰিব ভাবি নোপোৱা। |
| **অনায়াশে** | ঃ সহজতে। |
| **পৰস্পৰে** | ঃ ইজনে সিজনৰ লগত। |
| **বুদ্ধি** | ঃ বুজা শক্তি, উপায়। |

## একাৰ্থক শব্দঃ

| | |
|---|---|
| দুষ্ট | ঃ অশিষ্ট, অসৎ। |

টেঙৰ ঃ সিয়ান, চতুৰ।
মৃত্যু ঃ মৰণ।

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। খালী ঠাই পূৰণ কৰা।

(ক) এসময়ত কলং নদীৰ দুয়োপাৰ ...................... পৰিপূৰ্ণ আছিল।

(খ) জীৱ-জন্তুবোৰে পৰস্পৰে পৰস্পৰৰ লগত .................. জীৱন যাপন কৰিছিল।

(গ) ভেকুলী আৰু নিগনিৰ মাজত ................... বন্ধুত্ব হ'ল ।

(ঘ) নিগনিটো অতি ................... আছিল।

(ঙ) ভেকুলীটোৰ মনত ................. বুদ্ধিৰ উদয় হ'ল ।

২। উত্তৰ দিয়া।

(ক) কলং নদীৰ দুয়োপাৰত কি কি জন্তুৱে বস -বাস কৰিছিল?

(খ) কাৰ কাৰ মাজত বন্ধুত্ব হৈছিল?

(গ) ভেকুলীটোৰ মনত কি বুদ্ধিৰ উদয় হ'ল আৰু সি কি কৰিলে?

(ঘ) নিগনিটোৰ কি হ'ল ?

(ঙ) ভেকুলীটোৰ মৃত্যু কেনেদৰে হ'ল ?

৪। 'ভেকুলী আৰু নিগনি'ৰ সাধুটো তোমাৰ নিজৰ ভাষাত কোৱা। সাধুটোৰ পৰা কি শিক্ষা লাভ কৰিলা?

৫। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো-একোটা বাক্য সাজাঁ।

জীৱ-জন্তু নলে-গলে টেঙৰ ঢোকে ঢোকে সৰল

# দুষ্টালিৰ পৰিণাম সদায় বেয়া।

## গ . প্ৰকল্প

বনৰীয়া জন্তুবোৰৰ এখন তালিকা প্ৰস্তুত কৰা।

o o o

# পাঠ ঃ চৈধ্য

# ডাক-ঘৰ




আজি দেওবাৰ। স্কুল বন্ধ। অনিলে দেউতাকৰ লগত হলংপাম বজাৰলৈ গৈ আছে। বজাৰখন সিহঁতৰ ঘৰৰ পৰা প্ৰায় তিনি কিলোমিটাৰ দূৰত। কিছুদূৰ যোৱাৰ পিছত বাটৰ কাষত এটি ঘৰ দেখা পাই অনিলে দেউতাকক সুধিলে, "সৌটো কি ঘৰ, দেউতা?"

দেউতাকে ক'লে, "অ, সেইটো ডাক-ঘৰ।"

"ডাকঘৰত কি কৰে দেউতা?" অনিলে সুধিলে।

ডাকঘৰত বহুতো কাম কৰা হয়। ডাকঘৰৰ জৰিয়তে আমি এঠাইৰ পৰা আন ঠাইলৈ চিঠি-পত্ৰ, টকা-পইচা পঠিয়াব পাৰোঁ, সৰু-সুৰা বস্তু যেনে — কিতাপ-পত্ৰ, কাপোৰ-কানি ইত্যাদি ক্ৰয় কৰিব পাৰোঁ।"

"তেনেহ'লে ডাক-ঘৰ এখন দোকান, নহয়নে?" অনিলে ক'লে।

"অ, নহয়। ডাকঘৰ দোকান নহয়। ডাক-ঘৰৰ জৰিয়তে আমি দূৰ ঠাইৰ পৰা অৰ্ডাৰযোগে বয়-বস্তু ক্ৰয় কৰিব পাৰোঁ। আমি ডাক-ঘৰৰ জৰিয়তে বস্তু ক্ৰয় কৰিব খুজিলে প্ৰথমতে য'ৰ পৰা বস্তু ক্ৰয় কৰিব খোজোঁ সেই ঠাইৰ বা দোকানৰ ঠিকনা সংগ্ৰহ কৰি সেই ঠিকনালৈ আমাৰ প্ৰয়োজনীয়

বস্তু খুজি চিঠি, ই-মেইল বা ফোনেৰে অৰ্ডাৰ পঠাব লাগে। লগতে আমাৰ ঠিকনাও পঠাব লাগে। অৰ্ডাৰ অনুযায়ী সিহঁতে ডাক-ঘৰৰ জৰিয়তে আমাৰ ঠিকনালৈ বস্তু পঠিয়াই দিয়ে। আমালৈ পঠোৱা বস্তুৰ লগত বস্তুৰ দাম হিচাপে আমি দিব লগা টকাৰ পৰিমাণ লিখি এখন ৰচিদো পঠিয়াই দিয়ে। আমি ৰচিদত লিখি দিয়া টকাখিনি ডাক-ঘৰত জমা দি অৰ্ডাৰৰ বস্তুখিনি গ্ৰহণ কৰিব লাগে।"

"ডাক-ঘৰৰ জৰিয়তে চিঠি কেনেদৰে পঠিওৱা হয়?" অনিলে সুধিলে।

দেউতাকে ক'লে, "ডাক-ঘৰৰ জৰিয়তে চিঠি পঠিয়াব খুজিলে আমি প্ৰথমতে আমাৰ চিঠিখন লিখি লেফাফাত ভৰাই তাৰ ওপৰত যিজন ব্যক্তি বা প্ৰতিষ্ঠানলৈ চিঠিখন পঠিয়াব খোজোঁ তাৰ সম্পূৰ্ণ ঠিকনা লিখি ডাক-ঘৰত থকা ডাক-বাকচত ভৰাই থৈ আহিব লাগে। পিছত ডাকঘৰৰ কৰ্তৃপক্ষই সেই চিঠিখন বাকচৰ পৰা উলিয়াই তাৰ ওপৰত ডাক-ঘৰৰ মোহৰ মাৰি চিঠিৰ ওপৰত লিখি দিয়া ঠিকনালৈ পঠিয়াই দিয়ে।"

"ডাক-ঘৰৰ জৰিয়তে আমিনো কেনেদৰে টকা-পইচা পঠাব লাগে?"

"তুমি ভাল প্ৰশ্ন সুধিছা। ডাক-ঘৰৰ জৰিয়তে এখন ঠাইৰ পৰা আন এখন ঠাইলৈ টকা-পইচা পঠাব খুজিলে যি ব্যক্তিলৈ টকা-পইচা পঠাব খোজা হয়, সেই ব্যক্তিৰ ঠিকনা সংগ্ৰহ কৰি এখন প্ৰ-পত্ৰ পূৰণ কৰিব লাগে। প্ৰ-পত্ৰখনত টকাৰ পৰিমাণ, প্ৰেৰকৰ নাম আৰু যি ব্যক্তিলৈ পঠাব খোজা হয় তাৰ নাম ঠিকনা শুদ্ধকৈ লিখি টকাখিনি প্ৰ-পত্ৰসহ ডাক-ঘৰত জমা দিব লাগে। তেতিয়া ডাক-ঘৰ কৰ্তৃপক্ষই টকাখিনি নিৰ্দিষ্ট ঠিকনালৈ পঠিয়াই দিয়ে।"

"তেনেহ'লে ডাক-ঘৰে আমালৈ বহুত সেৱা আগবঢ়ায়। ইয়াৰ উপৰিও ই আৰু কিবা কাম কৰেনে?" অনিলে সুধিলে।

"হয়। ডাক-ঘৰত আমি সঞ্চয় হিচাপো খুলিব পাৰি। আমি মাহে মাহে ইয়াত টকা জমা থব পাৰোঁ আৰু প্ৰয়োজন মতে টকা উঠাব পাৰোঁ।"

"ময়ো হিচাপ খুলিব পাৰিম নে, দেউতা?"

"হয়, তুমিও হিচাপ খুলিব পাৰিবা।"

"তেনেহ'লে ময়ো এখন হিচাপ খুলিম। আপুনি মোক প্ৰতিদিন খৰচৰ বাবে দিয়া পইচাৰ পৰা অলপ অলপ ৰাহি কৰি ডাক-ঘৰত সঞ্চয় কৰিম।"

"অহা বছৰৰ জানুৱাৰীত তোমাৰ নামত এটি হিচাপ খুলি দিম।"

## অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### ব্যাকৰণঃ

তলৰ বাক্যটোৰ আঁচটনা শব্দবোৰ মন কৰা —

*ডাক-ঘৰৰ জৰিয়তে আমি চিঠি-পত্ৰ, টকা-পইচা, বয়-বস্তু আদি এঠাইৰ পৰা আন ঠাইলৈ পঠিয়াব পাৰোঁ।*

ওপৰৰ বাক্যটোত আঁচ টনা শব্দকেইটাৰ প্ৰত্যেকটোতে দুটাকৈ শব্দ আছে। এনেদৰে যেতিয়া একেজাতীয় অৰ্থ বুজাবলৈ দুটা শব্দ একেলগে ব্যৱহাৰ কৰা হয়, তেনে শব্দক **যুৰীয়া শব্দ** বুলি কোৱা হয়। এনে শব্দৰ মাজত এটা হাইফেন (-) ব্যৱহাৰ কৰা হয়। অসমীয়া ভাষাত বহুত যুৰীয়া শব্দ আছে। যেনে ঃ মা-মচলা, খোৱা-লোৱা, কাপোৰ-কানি, পা-পইচা, চাকৰ-নাকৰ, ডা-ডাঙৰীয়া ইত্যাদি।

এতিয়া পাঠটিত ব্যৱহাৰ হোৱা যুৰীয়া শব্দ কেইটা বিচাৰি উলিওৱা।

### শব্দ অৰ্থ ঃ

| | |
|---|---|
| **ডাক-ঘৰ** | ঃ এখন ঠাইৰ পৰা আন এখন ঠাইলৈ চিঠি-পত্ৰ, টকা-পইচা, বয়-বস্তু, আদি পঠোৱা এক আনুষ্ঠানিক ব্যৱস্থা। |
| **ক্ৰয় কৰা** | ঃ কিনা। |
| **অৰ্ডাৰ** | ঃ কোনো বস্তু খুজি দিয়া আদেশ। |
| **ৰচিদ** | ঃ বিক্ৰি কৰা বস্তুৰ লিখিত বিৱৰণ দি ক্ৰেতাক দিয়া দলিল। |

ই-মেইল ঃ বৈদ্যুতিক ডাক।

## একাৰ্থক শব্দঃ

সঞ্চয় ঃ জমা।

ব্যক্তি ঃ লোক।

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। শুদ্ধ নে অশুদ্ধ কোৱাঁ।

(ক) ডাক-ঘৰৰ জৰিয়তে আমি বয়-বস্তু এঠাইৰ পৰা আন ঠাইলৈ পঠিয়াব নোৱাৰোঁ।

(খ) লেফাফাৰ ওপৰত আমি প্ৰাপকৰ নাম ঠিকনা লিখিব লাগে।

(গ) ডাক -ঘৰৰ জৰিয়তে পঠোৱা বয়-বস্তুৰ ৰচিদ পঠাব নালাগে।

(ঘ) পিয়নে চিঠি-পত্ৰ বিল কৰে।

(ঙ) ডাক-ঘৰত সঞ্চয় খুলিব পাৰি।

২। উত্তৰ দিয়া।

(ক) অনিলে কাৰ লগত বজাৰলৈ গৈ আছিল?

(খ) অনিলে কোনখন বজাৰলৈ গৈ আছিল?

(গ) ডাক ঘৰৰ জৰিয়তে কেনেদৰে চিঠি পঠাব লাগে?

(ঘ) ডাক-ঘৰত সঞ্চয় হিচাপ খুলিব পাৰিনে?

(ঙ) অনিলে ডাক-ঘৰত কিয় হিচাপ খুলিব বিচাৰিছে?

৫। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো-একোটা বাক্য সাজাঁ।

টকা-পইচা বয়-বস্তু চিঠি-পত্ৰ ঠিকনা লেফাফা

৬। হাতৰ আখৰ লিখা।

# সঞ্চয় কৰা ভাল অভ্যাস।

## গ. প্ৰকল্প

এদিনাখন তোমাৰ ওচৰৰ ডাক-ঘৰলৈ গৈ তাত কি কি বস্তু দেখা পোৱা তাৰ এখন তালিকা কৰা। o o o

# পাঠ ঃ পোন্ধৰ

# বিহু



এতিয়া বসন্ত কাল। বহাগ বিহুৰ বতৰ। ল'ৰা-ছোৱালী, ডেকা-ডেকেৰী, বুঢ়া-বুঢ়ী বিহুৰ আনন্দত মতলীয়া। ঢোল-পেঁপাৰ শব্দত আকাশ ৰজন-জনাই আছে। কুলিয়ে কুউ-কুউ সুৰেৰে গান গাই আছে। কাউৰীয়ে বাঁহৰ জোপাত কা-কা কৈ মাতি আছে। চাৰিওপিনে কেৱল আনন্দ আৰু আনন্দ।

বহাগ বিহু চ'ত মাহৰ শেষৰ দিনাখন আৰম্ভ হয় আৰু ই বহাগ মাহৰ সাত তাৰিখলৈ চলি থাকে। এই বিহুৰ আৰম্ভণি দিনটো গৰু বিহু বুলি কোৱা হয়। এই দিনা গৰুক নৈ বা পুখুৰীত গা-পা ধুৱাই গৰুৰ শিং, মূৰ, কাণ আদিত তেল ঘঁহি ভক্তি আৰু শ্ৰদ্ধাৰে লাউ, বেঙেনা আদি খুৱাই নতুন বছৰটোত ডাঙৰ-দীঘল হ'বলৈ শুভ কামনা কৰা হয়।

পিছ দিনাৰ পৰা মানুহ বিহু আৰম্ভ হয়। ডেকা ল'ৰা-ছোৱালীহঁতে মুকলি পথাৰত নাচে আৰু বিহু গীত গায়। মানুহে নতুন কাপোৰ লয়। বসন্ত ঋতুত হয় বাবে বহাগ বিহুক 'বসন্ত উৎসৱ' বুলিও কোৱা হয়। বিহুত আত্মীয়-কুটুম্বক মাতি জা-জলপান খুওৱা হয় আৰু গামোছা উপহাৰ দিয়া হয়। এই

বিহুত মানুহে বহুত ৰং-ধেমালি আৰু স্ফূৰ্তি কৰে বাবে ইয়াৰ আন এটা নাম ৰঙালী বিহু ।

বিহু অসমৰ জাতীয় উৎসৱ। জাতি, ধৰ্ম, ভাষা, বৰ্ণ নিৰ্বিশেষে সকলো অসমীয়াই বিহু পালন কৰে। বিহু প্ৰেম, ভাতৃত্ববোধ, ঐক্য আৰু সংহতিৰ নিদৰ্শন। প্ৰতিজন অসমীয়াই বিহুক লৈ বিশ্ব দৰবাৰত গৌৰৱ কৰে। কিন্তু এই বিহু উৎসৱ কেতিয়া ,ক'ত, কেনেদৰে আৰম্ভ হৈছিল তাক কোনেও ডাঠি ক'ব নোৱাৰে যদিও বিহু যে অসমীয়াৰ বাপতি সাহোন তাক সকলোৱে একমুখে স্বীকাৰ কৰে।

## অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### ব্যাকৰণঃ

তলৰ বাক্য দুটাৰ আঁচটনা শব্দবোৰ মন কৰা।

*কুলিয়ে কুউ-কুউ সুৰত গীত গাই আছে।*

*কাউৰীয়ে বাঁহ জোপাত কা-কা কৈ মাতি আছে।*

ওপৰৰ বাক্য দুটাত আঁচটনা শব্দকেইটা মন কৰিলে দেখা যায় যে এটা শব্দই দুবাৰ ব্যৱহাৰ হৈ এক সুৰৰ সৃষ্টি কৰিছে। এনেদৰে কোনো ধ্বনি বা জীৱ-জন্তুৰ মাত অনুকৰণ কৰি যি শব্দ গঠন কৰা হয়, তাক অনুকাৰ শব্দ বোলে। অসমীয়া ভাষাত বহুত অনুকাৰ শব্দ আছে। যেনে ঃ *কা্-কা্, টেৰ্-টেৰ্, কেৰ্-কেৰ্, মেৰ্-মেৰ্, ধপ্-ধপ্, ঘৰ্-ঘৰ্, ফোচ্-ফোচ্, টং-টং, ধৰ্-ফৰ্, চেন-চেন্, চুচুক্-চামাক্, কক্-বক্, কেওঁ-কেওঁ, টুলুং-ভুটুং, থুনুক-থানাক মেউ-মেউ, গিৰ-গিৰ, চিঁ-চিঁ, কু-কু, হিৰ্-হিৰ, হৰ্-হৰ্, চৌ-চৌ, তজ-বজ, জক্-মক্, লট্-পট্* ইত্যাদি।

উক্ত অনুকাৰ শব্দবোৰ বাক্যত ব্যৱহাৰ কৰিবলৈ অভ্যাস কৰা।

**শব্দ অৰ্থ ঃ**

| | |
|---|---|
| **আত্মীয়-কুটুম** | ঃ জ্ঞাতি বা আপোন মানুহ। |
| **উপহাৰ** | ঃ পুৰস্কাৰ। |
| **ঐক্য** | ঃ একতা। |
| **সংহতি** | ঃ মিল, একতা। |
| **বাপতি সাহোন** | ঃ পৈত্ৰিক, পূৰ্বপুৰুষৰ পৰা চলি অহা। |
| **নিৰ্বিশেষে** | ঃ জাত-পাত বিচাৰ নকৰাকৈ । |

**একাৰ্থক শব্দঃ**

| | |
|---|---|
| আকাশ | ঃ গগন। |
| আনন্দ | ঃ স্ফূৰ্তি |
| শ্ৰদ্ধা | ঃ সন্মান। |
| নিদৰ্শন | ঃ আৰ্হি, উদাহৰণ। |
| গৌৰৱ | ঃ অহংকাৰ। |

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। খালীঠাই পূৰণ কৰা।

(ক) কুলিয়ে ........................ সুৰেৰে গীত গাই আছে।

(খ) বহাগ বিহু .................. মাহৰ শেষৰ দিনা আৰম্ভ হয়।

(গ) বহাগ বিহুৰ প্ৰথম দিনটোক ..................... বিহু বুলি কোৱা হয়।

(ঘ) বিহু অসমৰ ...................... উৎসৱ।

(ঙ) বিহু অসমীয়াৰ ............................ ।

২। উত্তৰ দিয়া।

(ক) বহাগ বিহুৰ আৰম্ভণি দিনাখন কি কৰা হয়?

(খ) বহাগ বিহুৰ দ্বিতীয় দিনাখন কি কৰা হয়?

(গ) বহাগ বিহুক কিয় ‘বসন্ত উৎসৱ’ বুলি কোৱা হয়?

(ঘ) বহাগ বিহুক কিয় ‘ৰঙালী বিহু’ বুলি কোৱা হয়?

(ঙ) বিহু কিহৰ প্ৰতীক?

৩। বিহুৰ বিষয়ে পাঁচোটামান বাক্য লিখা।

৫। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো-একোটা বাক্য সাজাঁ।

কা-কা  ৰজন-জনাই  ৰং-ধেমালী  সংহতি  বাপতি-সাহোন

৫। তিনিশাৰী হাতৰ আখৰ লিখা।

# বিহু অসমীয়াৰ জাতীয় উৎসৱ।

## গ . প্ৰকল্প

বিহু গীত গোৱাৰ সময়ত ব্যৱহাৰ কৰা বাদ্যযন্ত্ৰবোৰৰ এক তালিকা প্ৰস্তুত কৰি তোমাৰ শিক্ষকক দেখুওৱা।

০ ০ ০

# পাঠ ঃ ষোল্ল
# কেৰ্কেটুৱা



অ' কেৰ্কেটুৱা, অ' কেৰ্কেটুৱা
ক'ত থাকা তুমি,
তুমি হেনো তামোল খোৱা
ৰাতি চুৰ কৰি।
আছেনে তোমাৰ মা-দেউতা
আছেনে গিৰীয়েক,
বাইদেৱে কোৱা শুনো
নেউল হেনো ভনীয়েক।
তামোলৰ টান বাকলি
কেনেদৰেনো গুচোৱা
তোমাৰ চিকুন দাঁতৰ পাৰিত
দুখ পোৱা নে নোপোৱা ?
আজিৰ পৰা কেৰ্কেটুৱা বাই
তামোল আৰু নাখাবা
ভাত দিম, মাছ দিম
ঘৰত বহি খাবা।
ৰাতি ৰাতি গছ বগাই
চুৰ কৰি নুফুৰিবা,
বল দিম, পুতলা দিম
মইনাৰ লগত খেলিবা।

সোণৰ সজা গঢ়ি দিম
শান্তিৰে টোপনি যাবা।
কাপোৰ-কানি যি লাগে
সকলো হাততে পাবা।

## অনুশীলনী

## ক. ভাষা সম্পৰ্কীয় ঃ

### শব্দ অৰ্থ ঃ

**কেৰ্কেটুৰা** ঃ নেউলৰ দৰে এক প্ৰকাৰৰ সৰু জন্তু।
**গিৰীয়েক** ঃ স্বামী
**সঁজা** ঃ পিঞ্জৰা।

## খ. বিষয়বস্তু সম্পৰ্কীয় ঃ

১। কবিতাটি মুখস্থ কৰা।
২। কবিতাটিৰ মূল কথাখিনি নিজৰ ভাষাত কোৱা আৰু লিখা।
৩। উত্তৰ দিয়া।
(ক) কেৰ্কেটুৰাই কেতিয়া তামোল খায় ?
(খ) কেৰ্কেটুৰাৰ ভনীয়েক কোন ?
(গ) কবিয়ে কেৰ্কেটুৰাক কি কি খাবলৈ দিব বুলি কৈছে?
(ঘ) কবিয়ে কেৰ্কেটুৰাক খেলিবলৈ কি কি দিব ?
(ঙ) কেৰ্কেটুৰাই ক'ত টোপনি যাব বুলি কৈছে?
৪। তলত দিয়া শব্দ ব্যৱহাৰ কৰি একো-একোটা বাক্য সাজাঁ।
গিৰীয়েক বাকলি পুতলা সঁজা কাপোৰ-কানি

# শব্দ-সম্ভাৰ

| | |
|---|---|
| **অপব্যয়** | ঃ অপ্ৰয়োজনীয় বস্তুত ধন খৰচ কৰা। |
| **অসাৰ** | ঃ মূল্যহীন। |
| **অদৃশ্য** | ঃ চকুৰে দেখিবলৈ নোপোৱা বস্তু। |
| **অপৰাহ্ন** | ঃ ভাটিবেলা |
| **আড্ডা** | ঃ কেইবাজন ব্যক্তি একেলগ হৈ অলাগতিয়াল বিষয়ৰ ওপৰত কৰা আলোচনা। |
| **নূন্যতম** | ঃ অতি কম। |
| **ঋষি** | ঃ মুনি, তপস্বী। |
| **খ্যাতি** | ঃ যশস্যা। |
| **কল্যাণ** | ঃ হিত। |
| **মহাঋষি** | ঃ ডাঙৰ ঋষি। |
| **তীৰ্থ** | ঃ পৱিত্ৰ স্থান |
| **গৰ্ব** | ঃ অহংকাৰ। |
| **ঈৰ্ষা** | ঃ আনৰ ভাল দেখি বেয়া ভাৱ পোষণ কৰা। |
| **সৰল** | ঃ পোন, সহজ। |
| **আৰ্হি** | ঃ উদাহৰণ। |
| **গৰ্হিত** | ঃ ঘৃণনীয়। |
| **পূণ্য** | ঃ সৎ কৰ্ম। |
| **গুৰু** | ঃ শিক্ষক (যাৰ ওচৰত বিদ্যা শিক্ষা কৰা হয়)। |
| **শিষ্য** | ঃ ছাত্ৰ, বিশেষকৈ গুৰু গৃহত থাকি শিক্ষা লাভ কৰা সকলক বুজায়। |
| **গুৰুত্ব** | ঃ অতি প্ৰয়োজনীয় বুলি জোৰ দিয়া। |
| **ভ্ৰূকুটি** | ঃ ঈৰ্ষা বা হিংসা কৰি কোনো ব্যক্তিৰ প্ৰতি চকু কোঁচাই দৃষ্টি দিয়া। |
| **শুশ্ৰূষা** | ঃ সেৱা কৰা, আলপৈচান ধৰা। |
| **শ্ৰুতি** | ঃ শ্ৰৱণ কৰা। |
| **ধ্ৰুপদী** | ঃ প্ৰাচীন, শ্ৰেষ্ঠ। |
| **সত্য** | ঃ সঁচা, যি মিছা নহয়। |
| **কাতি কৰি** | ঃ পেলাই দি। |
| **চঞ্চল** | ঃ অস্থিৰ, থিৰ হৈ নথকা। |
| **ৰত্ন** | ঃ বহুমূলীয়া ধাতু। |
| **কৃতঘ্ন** | ঃ অকৃতজ্ঞ (যিয়ে উপকাৰীৰ উপকাৰ স্বীকাৰ নকৰে)। |
| **স্নান কৰা** | ঃ গা ধোৱা। |
| **বিষণ্ণ** | ঃ মন মৰা, বেজাৰমুৱা। |
| **খদ্দৰ** | ঃ হাতেৰে বোৱা কপাহী কাপোৰ। |
| **ঠাট্টা** | ঃ নিন্দা। |
| **বিনোদন** | ঃ আনন্দ। |
| **শাস্ত্ৰ** | ঃ কোনো বিষয়ৰ ওপৰত লিখা তাত্ত্বিক কিতাপ। |
| **পুৰস্কাৰ** | ঃ বঁটা। |
| **ব্যস্ত** | ঃ কোনো কামত নিয়োজিত থকা। |
| **স্পষ্টবাদী** | ঃ সৰল। কোনো লুক-ঢাক নৰখাকৈ কথা কোৱা ব্যক্তি। |
| **স্বকীয়** | ঃ নিজা। |
| **ভাস্বৰ** | ঃ উজ্জ্বল, পোহৰময়। |
| **স্ফটিক** | ঃ কাঁচ। |
| **উদ্দ্যোগ** | ঃ কোনো বস্তু উৎপাদন কৰা কাৰখানা। |
| **স্ফূলিংগ** | ঃ জুইৰ শিখা। |

| | |
|---|---|
| **বন** | ঃ কাম। |
| **গহৰি** | ঃ এলাহ কৰি কাম পিছুৱাই থোৱা। |
| **আপদ** | ঃ বিপদ। |
| **ঢিলা** | ঃ এলেহুৱা, কাম পিছুৱাই থোৱা ব্যক্তি। |
| **যশ** | ঃ যশস্যা। |
| **দণ্ড** | ঃ এক মূহুৰ্ত (সময়ৰ অতি সুক্ষ্ম ভাগ)। |
| **পক্ষ** | ঃ কাল (চন্দ্ৰ মাহৰ হিচাপ মতে পোন্ধৰ দিনত এক পক্ষ হয়)। |
| **মুগ্ধ** | ঃ মোহিত। |
| **বিশুদ্ধ** | ঃ পৰিশোধিত। |
| **লব্ধ** | ঃ নতুনকৈ লাভ কৰা। |
| **প্ৰলুব্ধ** | ঃ প্ৰলোভিত। |
| **ক্ষুব্ধ** | ঃ অতিপাত খং, বিতুষ্ট। |
| **বুৰঞ্জী** | ঃ নজনা কথা জনোৱাৰ ভঁৰাল। |
| **কুঞ্জ** | ঃ বাগিছা। |
| **দ্বীপপুঞ্জ** | ঃ কেইবাটাও দ্বীপৰ সমষ্টি। (দ্বীপ হ'ল চাৰিওফালে পানীৰে আগুৰা ভূভাগ)। |
| **বাঞ্ছা** | ঃ পাবলৈ হাবিয়াস কৰা। |
| **বিজ্ঞান** | ঃ পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা লাভ কৰা জ্ঞান। |
| **কষ্টসহিষ্ণু** | ঃ কষ্ট সহিব পৰা। |
| **অৱতাৰ** | ঃ মানৱ ৰূপত ভগৱানৰ আবিৰ্ভাৱ। |
| **আবিৰ্ভাৱ** | ঃ দৃশ্যমান হোৱা, দেখা দিয়া। |
| **মহামেল** | ঃ ডাঙৰ মেল। |
| **ধেকুৰা** | ঃ মতা কুকুৰ। |
| **ছায়া** | ঃ ছাঁ। |
| **গিয়াতি** | ঃ জ্ঞাতি, নিজ জাতি বা বংশৰ কোনোবা। |
| **বৈৰী** | ঃ শত্ৰু। |
| **ভেউ ভেউ** | ঃ কুকুৰৰ মাত। |
| **কোৱাৰি** | ঃ মুখৰ চুক (তল আৰু ওপৰ ওঁঠৰ জোৰা)। |
| **সদভাৱ** | ঃ মিলা-প্ৰীতি। |
| **নলে-গলে লগা** | ঃ অন্তৰংগ। |
| **বিমোৰত পৰা** | ঃ কি কৰিব কি নকৰিব ভাবি নোপোৱা। |
| **অনায়াশে** | ঃ সহজতে। |
| **পৰস্পৰে** | ঃ ইজনে সিজনৰ লগত। |
| **বুদ্ধি** | ঃ বুজা শক্তি, উপায়। |
| **ডাক-ঘৰ** | ঃ এখন ঠাইৰ পৰা আন এখন ঠাইলৈ চিঠি-পত্ৰ, টকা-পইচা, বয়-বস্তু, আদি পঠোৱা এক আনুষ্ঠানিক ব্যৱস্থা। |
| **ক্ৰয় কৰা** | ঃ কিনা। |
| **অৰ্ডাৰ** | ঃ কোনো বস্তু খুজি দিয়া আদেশ। |
| **ৰচিদ** | ঃ বিক্ৰি কৰা বস্তুৰ লিখিত বিৱৰণ দি ক্ৰেতাক দিয়া দলিল। |
| **ই-মেইল** | ঃ বৈদ্যুতিক ডাক। |
| **আত্মীয়-কুটুম** | ঃ জ্ঞাতি বা আপোন মানুহ। |
| **উপহাৰ** | ঃ পুৰস্কাৰ। |
| **ঐক্য** | ঃ একতা। |
| **সংহতি** | ঃ মিল, একতা। |
| **বাপতি সাহোন** | ঃ পৈত্ৰিক, পূৰ্বপুৰুষৰ পৰা চলি অহা। |
| **নিৰ্বিশেষে** | ঃ জাত-পাত বিচাৰ নকৰাকৈ । |
| **কেৰ্কেটুৱা** | ঃ নেউলৰ দৰে এক প্ৰকাৰৰ সৰু জন্তু। |
| **গিৰীয়েক** | ঃ স্বামী |
| **সঁজা** | ঃ পিঞ্জৰা। ০ ০ ০ |